

# 4 ভাৰতবৰ্ষৰ গ্ৰাম্য সমাজৰ পৰিৱৰ্তন আৰু উন্নয়ন

# Change and Development in Rural Society



ভাৰতবৰ্ষ এখন গ্ৰাম্য প্ৰধান দেশ য'ত অধিকাংশ লোকেই গ্ৰাম্যাঞ্চলত বসবাস কৰে। ২০০১ চনৰ লোক পিয়ল মতে দেশৰ প্ৰায় ৬৭ শতাংশ লোকেই গ্ৰাম্য সমাজত বাস কৰে আৰু তেওঁলোকৰ প্ৰধান বৃত্তি হ'ল কৃষি। অৱশ্যে কৃষিৰ লগতে গ্ৰাম্যাঞ্চলৰ বহুলোকে আন কিছু আনুষংগিক বৃত্তিও গ্ৰহণ কৰি আহিছে। এই আনুষংগিক বৃত্তিবোৰ হ'ল পশুপালন, মৎস পালন, কুটীৰ শিল্প ইত্যাদি। এই সহযোগী বৃত্তিবোৰ সময় আৰু সুবিধা অনুযায়ী গ্ৰহণ কৰে যদিও কৃষিৰ ওপৰতে সৰ্বাধিক মানুহ নিৰ্ভৰশীল আৰু স্বাভাৱিকভাৱেই কৃষি উৎপাদনৰ প্ৰধান উৎস 'মাটি' হ'ল এই গ্ৰাম্যাঞ্চলবোৰৰ মানুহৰ গুৰুত্বপূৰ্ণ সম্পত্তি। প্ৰকৃততে 'মাটি'ক ভাৰতবৰ্ষৰ মানুহে কেৱল 'উৎপাদনৰ আহিলা' (means of production) বা 'এক প্ৰকাৰৰ সম্পত্তি' (form of property) অথবা কেৱল 'জীৱন নিৰ্বাহৰ এক পথ' (form of livlihood) নহয়; ইয়াৰ লগত সংপৃক্ত হৈ আছে গ্ৰাম্যাঞ্চলৰ সমাজ জীৱন। এই কথা উল্লেখনীয় যে, ভাৰতবৰ্ষৰ বহু অঞ্চলৰ নৱবৰ্ষৰ আৰম্ভণি উৎসৱ কৃষিৰ লগত জড়িত, যিবোৰ উৎসৱ কৃষি কাৰ্য আৰম্ভণি বা শস্য চপোৱাৰ সময়ত পালন কৰা হয়। এনে কিছুমান কৃষিৰ লগত জড়িত উৎসৱ হ'ল— অসমৰ তিনি বিহু, তামিলনাডুৰ পংগাল, পঞ্জাবৰ বৈশাখী, কৰ্ণাটকৰ ওগাড়ী ইত্যাদি। তোমালোকে ভাৰতৰ অন্যান্য ঠাইৰ এনে কিছুমান কৃষি ভিত্তিক উৎসৱৰ বিষয়ে জানিবলৈ যত্ন কৰিবা।



কৃষি আৰু সংস্কৃতি, এই দুটিৰ মাজত এক গভীৰ সম্পৰ্ক আছে। ভাৰতৰ ভিন্ন ঠাইত এই দুই উপাদানক কেন্দ্ৰ কৰি পালন কৰি আহিছে অনেক পৰম্পৰা। অৱশ্যে সমাজভেদে

এই কৃষি আৰু কৃষিক কেন্দ্ৰ কৰি গঢ়ি উঠা সংস্কৃতি বা পৰম্পৰাগত ৰীতি-নীতি, উৎসৱবোৰো ভিন্ন ধৰণৰ হয়। ইয়াৰ পৰাই বুজা যায় যে, ভাৰতবৰ্ষৰ গ্ৰাম্য সামাজিক সংৰচনা আৰু সংস্কৃতিৰ লগত গভীৰভাৱে জড়িত বা সংযুক্ত হৈ আছে কৃষি।

যদিওৱা কৃষিয়েই হ'ল গ্ৰাম্য জীৱনৰ প্ৰধান উৎস তথাপিও আন কিছুমান উৎসৰৰ সহায়তো গ্ৰাম্য লোকসকলে জীৱন নিৰ্বাহ কৰা দেখা যায়। অৱশ্যে সকলো ঠাইতে একেধৰণৰ এনে সহযোগী বৃত্তিও দেখা নাযায়। সামগ্ৰিক ভাৱে এই বৃত্তিবোৰ হ'ল — বাঢ়ৈ, কুমাৰ, কমাৰ, সোণৰ অলংকাৰ তৈয়াৰ কৰা সোণাৰি, কাপোৰ বৈ জীৱন নিৰ্বাহ কৰা বস্ত্ৰ শিল্পী, মৎসজীৱী ইত্যাদি। বহু সমাজত এই বৃত্তিবোৰ দেখা যায়। অৱশ্যে লাহে লাহে সমাজবোৰৰপৰা এনে বৃত্তিবোৰ কমি যোৱা দেখা গৈছে। এইখিনিতে এটা উল্লেখিত কথা হ'ল যে এনে বহুবোৰ বৃত্তিৰ ওপৰত ভিত্তি কৰিয়েই একোটা জাতি গঢ়ি উঠিছে। এই জীৱিকাৰ ওপৰত ভিত্তি কৰি গঢ়ি উঠা জাতিবোৰ হ'ল— ধোবা (Washerman) সোণাৰি (Goldsmiths) কুমাৰ (Potter) ইত্যাদি।

## ক্ৰিয়াকলাপ ৪.১

- তোমালোকৰ অঞ্চলৰ উদযাপন কৰা উৎসৱবোৰৰ মাজৰ কোনবোৰ কৃষিৰ লগত জড়িত? এনে এটি উৎসৱৰ লগত জড়িত ৰীতি-নীতিবোৰৰ বৈশিষ্ট্য কি আৰু এই ৰীতিনীতিবোৰ কৃষিৰ লগত কেনেভাৱে জড়িত আলোচনা কৰা।
- ভাৰতৰ প্ৰায়বোৰ নগৰ-চহৰেই গাঁৱৰ পৰা সৃষ্টি হোৱা অথবা চৌপাশে গাঁও লৈয়েই সৃষ্টি হ'ল। যদি তোমালোকে নগৰত বাস কৰা তেন্তে সেই নগৰ খনৰ এনে এটি অঞ্চল তুমি চিহ্নিত কৰিব পাৰিবানে, যি এসময়ত গাঁও আছিল বা য'ত এসময়ত সম্পূৰ্ণ গ্ৰাম্য সমাজ আছিল আৰু অঞ্চলটিৰ বেছি ভাগ ঠায়েই খেতিৰ পথাৰ আছিল। এতিয়া, এসময়ৰ এই কৃষি প্ৰধান গ্ৰাম্য অঞ্চলটি কেনেকৈ নগৰ অঞ্চললৈ পৰিবৰ্তন হ'ল- এই বিষয়ে তোমালোকে কি ভাবা? লগতে যি সকল মানুহে এসময়ত এই ঠাইত গ্ৰাম্য জীৱন শৈলীৰে জীৱন নিৰ্বাহ কৰিছিল তেওঁলোকৰ কেনে পৰিৱৰ্তন আহিল, সেই বিষয়েও চিন্তা কৰা।

অৱশ্যে বহুবোৰ পৰম্পৰাগত বৃত্তি মানুহৰ মাজত কমি যোৱাৰ বা বৃত্তিবোৰ এৰি অহা পৰিলক্ষিত হৈছে। দেখা গৈছে গ্ৰাম্য অৰ্থনীতি আৰু নগৰীয়া অৰ্থনীতিৰ সংযোগ ঘটি বহুবোৰ বৃত্তিৰ সৃষ্টি হৈছে আৰু এই বৃত্তিবোৰত বহু গ্ৰাম্য লোকে নিয়োগ লাভ কৰিছে। ইয়াৰ পৰাই বুজা গৈছে যে বহু গ্ৰাম্য লোকে অ-কৃষি (Non-farm) ভিত্তিক বৃত্তিত নিয়োজিত হৈছে। উদাহৰণ স্বৰূপে— গ্ৰাম্যাঞ্চলৰ বহু লোকে চৰকাৰী চাকৰি যেনে— শিক্ষা খণ্ড, ডাক বিভাগ, সৈন্য বাহিনী, উদ্যোগ খণ্ড ইত্যাদিত মকৰল হৈ জীৱিকাৰ পথ উলিয়াইছে।



**বিভিন্ন ধৰণৰ বৃত্তি**

## ৪.১ ভাৰতীয় ভূমি-বিষয়ক সংৰচনা ঃ গ্ৰাম্য ভাৰতত জাতি আৰু শ্ৰেণী AGRARIAN STRUCTURE : CASTE AND CLASS IN RURAL INDIA

ভাৰতৰ গ্ৰাম্যাঞ্চলত মাটিয়েই হ'ল আটাইতকৈ গুৰুত্বপূৰ্ণ সম্পদ আৰু সম্পত্তি। কিন্তু দেখা গৈছে যে কোনো এখন গাঁৱত বা অঞ্চলত এই মাটি সকলোৰে মাজত সমভাৱে বিতৰণ হোৱা নাই। অথবা মাটিৰ অধিকাৰো সকলোলোকেই পোৱা নাই। প্ৰকৃততে বেছিভাগ অঞ্চলতেই মানুহৰ মাজত মাটি উচ্চমাত্ৰাত অসম বিতৰণ হৈ আছে। অৰ্থাৎ বেছিভাগ অঞ্চলতেই কিছুমান মানুহৰ বৃহৎ পৰিমাণৰ মাটি থকাৰ বিপৰীতে আন কিছুলোকৰ খুব কম মাটি আছে। দেশৰ বহু অংশত বেছিভাগ গাওঁৰ বাসিন্দাৰ কম পৰিমাণৰ মাটিহে আছে। আনহাতে বহুবোৰ লোকৰ আকৌ মাটি একেবাৰে নায়েই। এনে পৰিস্থিতিত এই ভূমিহীন লোকসকলে কৃষি শ্ৰমিক বা অন্যান্য কামত আত্মনিয়োগ কৰি জীৱিকা গ্ৰহণ কৰিছে। ইয়াৰ ফলত এনে বহুলোকে দৰিদ্ৰ সীমাৰেখাৰ কিছু ওপৰত বা তলত জীৱন

নিৰ্বাহ কৰিছে। ইয়াৰ বিপৰীতে কম সংখ্যক লোকেহে উন্নত জীৱন নিৰ্বাহৰ সুবিধা লাভ কৰিছে।

মাটিৰ উত্তৰাধিকাৰী সম্পৰ্কে এটা উল্লেখনীয় কথা হ'ল যে বেছিভাগ অঞ্চলতেই মহিলাসকলে মাটিৰ উত্তৰাধিকাৰী হ'ব নোৱাৰে। বিশেষকৈ পিতৃ বংশীয় স্বজন পদ্ধতি আৰু সম্পত্তিৰ অধিকাৰ পুৰুষে পোৱা নিয়ম অনুসৰি বেছিভাগ সমাজতেই পুৰুষ সকলেহে মাটিৰ অধিকাৰ লাভ কৰে। মহিলাসকলে পিতৃগৃহৰ মাটিৰ উত্তৰাধিকাৰী হোৱাৰ পৰা বঞ্চিত হয়। অৱশ্যে বৰ্তমানে নাৰীসকলকো আইনৰদ্বাৰা সম অধিকাৰ দিয়া হৈছে। যদিও সেই ক্ষমতা তেওঁলোকে সীমিত ভাৱেহে লাভ কৰিছে। অৰ্থাৎ মাটি সম্পত্তি আৰু অন্যান্য সম্পত্তিৰ ক্ষেত্ৰত তেওঁলোকে অধিকাৰ পোৱা নাই।

'ভূমি-বিষয়ক সংৰচনা' (agrarian structure) শব্দটি মাটিৰ মালিকসকলৰ সংৰচনা বা মাটিৰ অধিকাৰ পোৱা সকলৰ সংৰচনা বুজাবলৈ ব্যৱহাৰ কৰা হয় কাৰণ মাটিৰ অধিকাৰ পোৱা বা মাটিৰ মালিক হোৱাসকলৰ দ্বাৰা সমাজত এক সংৰচনা গঠিত হয় আৰু মাটিৰ দ্বাৰাই মালিকীস্বত্ব পোৱা সকলৰ যোগেদি গ্ৰাম্য সমাজত এটা 'শ্ৰেণী সংৰচনা' (Class Structure) গঠিত হয়। মধ্যমীয়া আৰু বৃহৎ পৰিমাণৰ মাটিৰ মালিক হোৱা সকলে এই মাটিৰ যোগেদি উচিত পৰিমাণৰ ধন উপাৰ্জন কৰিব পাৰে। অৱশ্যে এই উপাৰ্জনৰ ক্ষেত্ৰত উৎপাদিত সামগ্ৰীৰ মূল্য, উৎপাদনৰ বাবে উপযুক্ত জলবায়ু ইত্যাদিৰ প্ৰসংগও জড়িত হৈ আছে। আনহাতে যিসকল গ্ৰাম্যাঞ্চলৰ লোক কেৱল কৃষি শ্ৰমিক হিচাপে থাকি জীৱন নিৰ্বাহ কৰি আহিছে তেওঁলোকৰ মজুৰি আইনগত মজুৰিতকৈ কম নহয় যদিও উপাৰ্জন বহু কম। ইয়াৰ ফলশ্ৰুতিত তেওঁলোকে জীৱন নিৰ্বাহৰ ক্ষেত্ৰত প্ৰত্যাহ্বানৰ সন্মুখীন হয়। আকৌ এনে শ্ৰমিক সকলে বছৰৰ প্ৰতিটো দিনতে শ্ৰমিক হিচাপে নিয়োজিত নহ'বও পাৰে। সেয়ে তেওঁলোকৰ ক্ষেত্ৰত নিয়োগৰ নিৰাপত্তা বৰ কম। এনে পৰিস্থিতিকেই 'নিয়োগহীন' (under-employment) বোলা হয়। একেদৰে মাটিৰ মালিকসকলৰ পৰা মাটি লৈ আধি হিচাপে খেতি কৰাসকল যাক আধিয়াৰ বোলা হয়— তেওঁলোকৰ উপাৰ্জনো সীমিত। কিয়নো আধি নিয়ম অনুসৰি এক নিৰ্দিষ্ট পৰিমাণৰ উৎপাদিত শস্য মাটিৰ গৰাকীক দিব লগা হয়। এই ক্ষেত্ৰত আধি হিচাপে লোৱা মাটিৰ মুঠ উৎপাদিত শস্যৰ ৫০ৰ পৰা ৭৫ শতাংশ মাটিৰ মালিকসকলক দিবলগীয়া হয়।

এই কথা আগতে উল্লেখ কৰি অহা হৈছে যে কৃষক সমাজত শ্ৰেণী সংৰচনা বা শ্ৰেণী ব্যৱস্থাও বিৰাজমান। কিয়নো কৃষক সমাজৰ জীৱন ধাৰণৰ মূল উৎস মাটি হ'ল সেই সমাজবোৰত উচ্চ নিম্ন শ্ৰেণী হোৱাৰ এক মূল কাৰক। বহু সমাজত দেখা যায় যে অধিক মাটিৰ মালিকসকলে উচ্চ শ্ৰেণীত থকাৰ বিপৰীতে কম পৰিমাণৰ মাটি থকাসকলে তলৰ শ্ৰেণীত স্থিতি লয় আৰু ভূমিহীন লোকসকলে সেই সমাজখনত নিম্ন শ্ৰেণীত অন্তৰ্ভূক্ত

হয়। আনহাতে বহু অঞ্চলত বা বহুবোৰ সমাজত মাটিৰ অধিকাৰ আৰু 'জাতি'ৰ মাজতো সম্পৰ্ক থকা দেখা যায়। এনে কিছুমান সমাজত উচ্চ জাতিৰ লোকে বেছি পৰিমাণৰ মাটিৰ মালিক অধিকাৰী হ'ব পৰাৰ বিপৰীতে নিম্ন জাতিৰ লোকৰ কম পৰিমাণৰ মাটি থকাহে দেখা যায়। অৱশ্যে সকলো সমাজতে এই কথা দেখা নাযায়। কিয়নো বহু সমাজত দেখা যায় যে উচ্চ জাতি হিচাপে পৰিচিত বহু ব্ৰাহ্মণলোকৰ মাটিৰ পৰিমাণ কম। অথচ তেওঁলোকে সমাজত উচ্চ স্থান অধিকাৰ কৰি আহিছে আৰু বহু গ্ৰাম্য সমাজত ব্ৰাহ্মণসকল পুৰোহিত হিচাপে এক অবিচ্ছেদ্য অংগ হৈ উচ্চ স্থান অধিকাৰ কৰি আহিছে।

**বন্ধনী ৪.১**

কৃষি উৎপাদনশীলতা আৰু ভূমি-বিষয়ক সংৰচনাৰ মাজত এক প্ৰত্যক্ষ সামাঞ্জস্য আছে। প্ৰচুৰ বৰষুণ বা কৃত্ৰিম জলসিঞ্চনৰ দৰে নিশ্চিত জলসিঞ্চনৰ ব্যৱস্থা থকা অঞ্চলসমূহত (যেনে নদী-বদ্বীপৰ ধানখেতিৰ অঞ্চল উদাহৰণস্বৰূপে তামিলনাডুৰ কাবেৰি অৱবাহিকা) বিস্তৃত কৃষি-কৰ্মৰ বাবে অধিক শ্ৰমিকৰ প্ৰয়োজন। ইয়াতেই আটাইতকৈ বেছি অসমান ৰূপৰ ভূমি-বিষয়ক সংৰচনা বৃদ্ধি পোৱা পৰিলক্ষিত হয়। এনে অঞ্চলৰ ভূমি-বিষয়ক সংৰচনাৰ বিশেষত্ব হ'ল, এক বৃহৎ অনুপাতৰ ভূমিহীন শ্ৰমিক ইয়াত জড়িত হৈ থাকে সিসকল সাধাৰণতে নিম্নতম জাতিৰ লোক আৰু এইসকল শ্ৰমিকক বন্ধা শ্ৰমিক *(bonded labour)* হিচাপে জনা গৈছিল। *(Kumar 1998)*

ভাৰতবৰ্ষৰ বহু অঞ্চলত প্ৰধানত ক্ষত্ৰিয় মূলৰ লোক সকলে অধিক মাটি আহৰণ কৰা দেখা যায়। এনে প্ৰতিটো অঞ্চলত কেৱল এটা বা দুটা জাতি থাকে যি অধিক পৰিমাণৰ ভূমি আহৰণ কৰে বা মালিক হয়। এই জাতিৰ লোকসকল সংখ্যাগতভাৱেও গুৰুত্বপূৰ্ণ। প্ৰখ্যাত সমাজতত্ববিদ এম্ এন্ শ্ৰীনিৱাসে এনে জাতিকেই প্ৰভাৱশালী জাতি (Dominant Caste) হিচাপে আখ্যা দিছে। প্ৰতিটো অঞ্চলতে এই প্ৰভাৱশালী জাতিবোৰে ৰাজনৈতিক আৰু অৰ্থনৈতিক দিশত গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰি আহিছে আৰু স্থানীয় সমাজক নিয়ন্ত্ৰণ কৰি আহিছে। উদাহৰণ স্বৰূপে- উত্তৰ প্ৰদেশৰ যাট আৰু ৰাজপুতসকল, কৰ্ণাটকত ভোকালিগাছ লিংগায়ত সকল, অন্ধ্ৰপ্ৰদেশৰ কম্মাজ আৰু ৰেড্ডীসকল আৰু পাঞ্জাৱৰ যাট শিখসকল।

উল্লেখনীয় যে য'ত মাটিৰ মালিকীস্বত্ব

**ক্ৰিয়াকলাপ ৪.২**

➤ জাতি ব্যৱস্থাৰ বিষয়ে কি শিকিলা? ভূমি-বিষয়ক বা গ্ৰাম্য শ্ৰেণী সংৰচনা আৰু জাতিৰ যোগসূত্ৰৰ চমু আভাস দিয়া। সম্পদ, শ্ৰম আৰু বৃত্তি লাভ কৰাৰ ক্ষেত্ৰত বিভিন্ন উপায়বোৰ আলোচনা কৰা

লাভ কৰা বা মাটিৰ অধিকাৰী হ'ব পৰা লোকসকল উচ্চ বা মধ্য প্ৰস্থিতিসম্পন্ন জাতি ৰূপে পৰিগণিত হয়, তেনে ক্ষেত্ৰত ভূমিহীন কৃষকসকল (Marginal farmers) বা ভূমিহীন সকল নিম্ন প্ৰস্থিতিসম্পন্ন জাতি হিচাপে চিহ্নিত হয়। চৰকাৰী শ্ৰেণীকৰণত (Official classification) তেওঁলোকক অৰ্থাৎ এই নিম্নজাতিৰ লোকসকলক অনুসূচিত জাতি বা জনজাতি অথবা অন্যান্য পিছপৰা শ্ৰেণীত (SC/ST/OBC) অন্তৰ্ভুক্ত কৰা হয়। ভাৰতৰ বহু ঠাইত পূৰ্বৰ "অস্পৃশ্য" আৰু "দলিত" (Untouchable or dalit) লোকসকলক মাটিৰ মালিক হ'বলৈ দিয়া নহৈছিল বা তেওঁলোকক মাটিৰ মালিক হ'বলৈ অনুমতি প্ৰদান কৰা নহৈছিল। তেওঁলোকে কেৱল মাটিৰ মালিকীস্বত্ব লাভ কৰা সকলৰ তলত কৃষি বনুৱা হিচাপেহে কাম কৰিব লাগিছিল। এই কৃষি বনুৱাসকলৰ যোগে এক বৃহৎ শ্ৰমিক শক্তি (Labour Force) গঠিত হৈছিল আৰু এই শ্ৰমিক শক্তিৰ যোগেই বৃহৎ পৰিমাণৰ শস্য উৎপাদন হৈছিল।

সাধাৰণতে উচ্চ আৰু মধ্যম স্থানৰ জাতিৰ লোকসকলে মাটি আৰু বিভিন্ন ধৰণৰ সম্পত্তি আহৰণ কৰিবলৈ সক্ষম হৈছিল যাৰ বাবে এই ধৰণৰ সম্পত্তিৰ ওপৰত তেওঁলোকৰ ক্ষমতা আৰু অধিকাৰো বাঢ়ি গৈছিল। ভাৰতৰ বহু অঞ্চলত এনে এটি "মালিক জাতি" (Proprietary caste)-ৰ উদ্ভৱ হৈছিল যিসকলে শ্ৰমিক শ্ৰেণীৰ লোকসকলক তেওঁলোকৰ বাবে কাম কৰিবৰ নিৰ্দেশ দিব পাৰিছিল। আনকি এই পৰ্যন্তও উত্তৰ ভাৰতৰ বহু ঠাইত এনে নিয়ম বলৱৎ আছে যে বহু শ্ৰমিকে বিনা পাৰিশ্ৰমিকত সেই মালিকসকলৰ ঘৰত কাম কৰি দিয়ে। আকৌ বহু নিম্ন জাতিৰ লোকে বছৰৰ নিৰ্দিষ্ট কেইটামান দিনত জমিদাৰ বা মাটিৰ মালিকৰ ঘৰত কাম কৰি দিয়াৰো নিয়ম আছিল। এনেদৰেই ভূমিহীন তথা নিম্ন জাতিৰ লোকসকলে তেওঁলোকৰ সম্পদৰ অভাৱ তথা অৰ্থনৈতিক, সামাজিক আৰু ৰাজনৈতিক সহায়ৰ বাবে মাটিৰ মালিক শ্ৰেণীৰ ওপৰত সম্পূৰ্ণ নিৰ্ভৰশীল আছিল যাৰ বাবে সেই নিম্ন জাতিৰ লোকসকলে বংশানুক্ৰমিকভাৱে উচ্চ জাতিৰ লোকসকলৰ ঘৰৰ শ্ৰমিক হিচাপে বছৰ বছৰ ধৰি নিয়োজিত হৈছিল। ইয়াকেই বন্ধা শ্ৰমিক (bonded labour) বুলি কোৱা হয় যাক গুজৰাটত 'হলপতি' (halpati) পদ্ধতি বোলা হয়। (Breman, 1974)। আকৌ কৰ্ণাটকত এনে পদ্ধতিক 'জীতা' পদ্ধতি বোলে। যদিওবা এনে বংশানুক্ৰমিক শ্ৰমিক পদ্ধতি আইনগতভাৱে বন্ধ কৰা হ'ল তথাপি বহু ঠাইত এই পদ্ধতি চলি আছে। উত্তৰ বিহাৰৰ এখন গাঁৱত মাটিৰ গৰাকীসকল প্ৰধানত ভূমিহাৰ (Bhumihar) লোক যিসকল আকৌ এটা প্ৰভাৱশালী জাতি (Dominant caste)।

## ৪.২ ভূমি সংস্কাৰৰ প্ৰভাৱ (Impact of Land Reforms)

এটা কথা অনুভৱ কৰা যথেষ্ট প্ৰয়োজনীয় যে, ইতিহাসৰ ভিন্ন সময়ত ভাৰতৰ ভূমি-বিষয়ক সংৰচনা পৰিবৰ্তন হৈছিল। এই পৰিবৰ্তন হৈছিল প্ৰাক্ ঔপনিবেশিক আৰু স্বাধীনতাৰ

পাছতো। দেখা গৈছিল যে, পিছৰ সময়ত এটা প্ৰতিপত্তিশীল জাতিত পৰিণত হোৱা জাতিও প্ৰাক্-ঔপনিবেশিক কালত এটা কৃষক জাতিহে আছিল, যি সকল প্ৰত্যক্ষভাৱে মাটিৰ মালিক হ'ব পৰা নাছিল। ইয়াৰ পৰিবৰ্তে শাসক সমূহবোৰ যেনে— স্থানীয় ৰজা, জমিদাৰ (যিসকল আছিল মাটিৰ মালিক তথা ৰাজনৈতিকভাৱে ক্ষমতাশালী আৰু সাধাৰণতে যিসকল আছিল ক্ষত্ৰিয় বা উচ্চ জাতিৰ) সকলে সমগ্ৰ মাটি নিয়ন্ত্ৰণ কৰিছিল। আনহাতে কৃষিৰ মাটিত শ্ৰম কৰি শস্য উৎপাদন কৰা কৃষকসকলে উৎপাদিত শস্যৰ এটি বৃহৎ অংশ জমিদাৰসকলক দিবলগীয়া হৈছিল। আনহাতে বৃটিছে ভাৰতবৰ্ষক তেওঁলোকৰ উপনিবেশ হিচাপে প্ৰতিষ্ঠা কৰাৰ পাছত সেই জমিদাৰসকলৰ যোগেই বহু অঞ্চলত তেওঁলোকৰ প্ৰশাসনীক কাৰ্য চলাই নিলে। লগে লগে সেই জমিদাৰ সকলে বৃটিছৰ অধীনত আগতকৈও বেছিকৈ মাটিৰ নিয়ন্ত্ৰণ লাভ কৰিলে। সেই সময়ৰ পৰাই ঔপনিবেশিক সকলে কৃষকসকলৰ ওপৰত অতি মাত্ৰা ৰাজহৰ বোজা জাপি দিছিল আৰু জমিদাৰসকলে কৃষকসকলৰ পৰা শস্য বা টকা গোটাইছিল। এই জমিদাৰী প্ৰথাৰ এটা ফলাফল হ'ল বৃটিছ শাসনৰ সময়ত কৃষিৰ উৎপাদন ক্ৰমশঃ কমিবলৈ ধৰে। লগতে কৃষিভূমিবোৰ ক্ৰমশঃ জমিদাৰবোৰৰ হাতলৈ গ'ল আৰু সঘনাই হোৱা দুৰ্ভিক্ষ আৰু যুদ্ধই জনসাধাৰণৰ মাজত বিৰূপ প্ৰভাৱ পেলালে।

ভাৰত বৃটিছ ঔপনিবেশিক ৰাষ্ট্ৰ হৈ থকাৰ সময়ত বিভিন্ন জিলাত জমিদাৰী প্ৰথাৰ যোগে প্ৰশাসন চলোৱা হৈছিল। অৰ্থাৎ বহু ঠাইত জমিদাৰ সকলেই বৃটিছৰ হৈ প্ৰশাসন পৰিচালিত কৰিছিল। অন্য বহুঅঞ্চলত বৃটিছৰ প্ৰত্যক্ষ প্ৰশাসন চলিছিল যিটোক ৰায়টৰী (Raiyatwari System) বুলি কোৱা হৈছিল। এই 'ৰায়টৰী' শব্দটো উৎপত্তি হৈছে তেলেগু ভাষাৰ 'ৰায়ট' শব্দৰ পৰা। তেলেগু ভাষাত 'ৰায়ট' শব্দৰ অৰ্থ হ'ল কৃষক। যি কি নহওঁক এই পদ্ধতি অনুসৰি যিসকললোক মাটিৰ মালিক আছিল যদিও হাতে কামে কৰা কৃষক নাছিল, তেওঁলোকেও মাটিৰ মালিক হিচাপে 'প্ৰকৃত কৃষক' (actual cultivators) হিচাপে আখ্যা পাইছিল। সেই লোকসকলে মাটিৰ খাজনা দিব লগীয়া হৈছিল। কিয়নো ঔপনিবেশিক চৰকাৰ বা প্ৰশাসনে প্ৰত্যক্ষ আৰু সম্পূৰ্ণভাৱে সেই মাটিৰ মালিকসকলৰ লগতহে সম্পৰ্ক ৰাখিছিল। পৰিণতিত হাতে কামে কৰা খেতিয়কসকলৰ কৰৰ বোজা কমিছিল আৰু তেওঁলোকে কৃষি কৰ্মত মনোযোগ দিব পাৰিছিল। ইয়াৰ ফলত এই অঞ্চলবোৰত অধিক উৎপাদন হ'বলৈ ধৰিলে।

তোমালোকে যেতিয়া ইতিহাসৰ কিতাপ অধ্যয়ন কৰিবা তেতিয়া সেই সময়ৰ ঔপনিবেশিক প্ৰশাসন কালৰ মাটিৰ ৰাজহ ব্যৱস্থা আৰু বৰ্তমানৰ ৰাজহ ব্যৱস্থা তথা কৃষক সংৰচনাৰ বিষয়ে গুৰুত্ব সহকাৰে অধ্যয়ন কৰিবা। কাৰণ সেই সময়ৰ ৰাজহ ব্যৱস্থা পৰিবৰ্তন হৈ আহি বৰ্তমানৰ অৱস্থা পাইছেহি।

## স্বাধীন ভাৰত (Independent India)

ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰাৰ পাছত পণ্ডিত নেহেৰু আৰু তেওঁৰ চৰকাৰৰ নীতি নিৰ্ধাৰণৰ উপদেষ্টা সকলে কৃষক সমাজৰ সংস্কাৰ আৰু দেশত উদ্যোগীকৰণৰ বাবে পৰিকল্পনা ৰচনা কৰিছিল। তেওঁলোকে অনুভৱ কৰিছিল যে, যদিহে কৃষি ক্ষেত্ৰত উন্নতি আহিব লাগে তেন্তে কৃষি খণ্ডত গুৰুত্ব পূৰ্ণ সংস্কাৰ কৰিবই লাগিব। বিশেষকৈ মাটিৰ অধিগ্ৰহণ আৰু বিতৰণ পদ্ধতিৰ ক্ষেত্ৰত সংস্কাৰ হোৱাটোৰ ওপৰত তেওঁলোকে গুৰুত্ব প্ৰদান কৰিছিল। এই ক্ষেত্ৰত ১৯৫০ চনৰপৰা ১৯৭০ চনলৈকে কৃষি খণ্ডৰ উন্নয়ণৰ বাবে ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক পৰ্যায়ত বহুবোৰ সংস্কাৰ নীতি অনুমোদন কৰিছিল- যাৰ যোগে কৃষি ক্ষেত্ৰৰ আমূল পৰিবৰ্তন কৰিব বিচৰা হৈছিল।

প্ৰথমখন গুৰুত্বপূৰ্ণ আইন আছিল জমিদাৰী পদ্ধতি নাইকিয়া কৰা যাৰদ্বাৰা মধ্যভোগীৰ তৰপটো সমাজৰ পৰা আঁতৰাই চৰকাৰ আৰু খেতিয়ক সকলৰ মাজৰ দূৰত্ব কমাই অনাৰ প্ৰয়াস কৰা। সকলোবোৰ ভূমি সংস্কাৰ আইনেই বহু অঞ্চলত কৃতকাৰ্যতা লাভ কৰিছিল আৰু জমিদাৰসকলৰ মাটিৰ ওপৰত থকা অৰ্থনৈতিক আৰু ৰাজনৈতিক ক্ষমতা বিলোপ কৰিছিল। অৱশ্যে বহু অঞ্চলত এই জমিদাৰ সকলৰ মাটিৰ ওপৰত থকা আধিপত্য হ্ৰাস কৰিব নোৱাৰিলে।

অন্যান্য ভূমি সংস্কাৰ আইনবোৰৰ ভিতৰত "ৰায়তী স্বত্ব আইন" (tenancy abolition) আৰু " বিনিয়ম আইন" (regulation act) প্ৰধান। এই আইনবোৰৰ দ্বাৰা খেতিয়ক সকলৰ খাজনা নিয়ন্ত্ৰণ কৰি তেওঁলোকক নিৰাপত্তা দিব বিচাৰিছিল। অৱশ্যে ভাৰতৰ বহুবোৰ ৰাজ্যত সম্পূৰ্ণ ফলপ্ৰসূভাৱে এই আইনবোৰ প্ৰয়োগ কৰা হোৱা নাছিল। ইয়াৰ মাজতে পশ্চিম বংগ আৰু কেৰালাত ভূমি-বিষয়ক সংৰচনা দ্ৰুত ভাৱে পূৰ্ণ গঠন হয় যাৰদ্বাৰা কৃষকসকলক মাটিৰ অধিকাৰ প্ৰদান কৰা হয়।

**ক্ৰিয়াকলাপ ৪.৩**

- ভূ-দান আন্দোলনৰ বিষয়ে কি জানা আলোচনা কৰা।
- 'বাৰ্গা অভিযান' (Operation Barga) ৰ বিষয়ে আলোচনা কৰা

ভূমি সংস্কাৰ আইনৰ তৃতীয় প্ৰধান আইন হ'ল— Land Ceiling Act. এই আইন অনুসৰি এটা পৰিয়ালে পাব পৰা মাটিৰ পৰিমাণৰ উচ্চতম সীমা নিৰ্ধাৰণ কৰি দিয়া হৈছিল। এই পৰিমাণ অৱশ্যে অঞ্চলভেদে পৃথক পৃথক আছিল আৰু এই সীমা নিৰ্ধাৰণ নিৰ্ভৰ কৰিছিল মাটিৰ গুণাগুণ, উৎপাদনশীলতা আৰু অন্যান্য আনুষংগিক দিশৰ ওপৰত। এই অনুসৰি বেছি উৎপাদনক্ষম মাটিবোৰ মানুহে কমকৈ পাব পাৰিছিল আৰু উৎপাদনহীন মাটিবোৰ বা শুকান মাটিবোৰ বেছিকৈ পাব পাৰিছিল। এই আইনৰ যোগে প্ৰত্যেক ঘৰ মানুহে কিমান মাটি আহৰণ কৰিছে, তাক চিনাক্ত কৰিব বিচৰা

হৈছিল আৰু ভূমিহীন পৰিয়াল, অনুসূচীত জাতি, জনজাতিৰ মাজত পুনৰ বিতৰণ কৰিছিল। অৰশ্যে কিছুমান ঠাইত এই আইনৰ যোগে যি কাৰ্য কৰিব বিচৰা হৈছিল সেয়া ফলপ্ৰসূভাৱে কৰিব পৰা নগৈছিল। কিয়নো আইনৰ সুৰুঙাৰে ভূমিৰ গৰাকীবোৰে ভূমি নিজৰ অধীনত ৰাখিবলৈ যত্ন কৰিছিল আৰু বহু পৰিমাণে সফল হৈছিল।

সকলো অধ্যয়ন কৰি পোৱা গৈছে যে —ভূমি সংস্কাৰ নীতি প্ৰয়োগৰ ফলত ঔপনিৱেশিক আমোলৰ দেশত যি ভূমি-বিষয়ক সংৰচনা আছিল, তালৈ যথেষ্ট পৰিৱৰ্তন আহিল। তথাপিও এতিয়াও দেশত কৃষিৰ উৎপাদন আশাপ্ৰদ বা উপযুক্ত নহয়। এই কৃষি সংস্কাৰ নীতিৰ আৰু অধিক ফলপ্ৰসূভাৱে প্ৰয়োগৰ থল আছে।

## ৪.৩ সেউজ বিপ্লৱ আৰু ইয়াৰ সামাজিক ফলাফল (THE GREEN REVOLUTION AND ITS SOCIAL CONSEQUENCES)

ভাৰতত প্ৰয়োগ কৰা ভূমি সংস্কাৰ নীতিয়ে বহু গ্ৰাম্য সমাজ আৰু ভূমি-বিষয়ক সংৰচনাৰ ওপৰত প্ৰভাৱ পেলালে। ১৯৬০ চনৰ পৰা ১৯৭০ চনৰ ভিতৰত ভাৰতবৰ্ষৰ কৃষি খণ্ডত সেউজ বিপ্লৱৰ যোগে গুৰুত্বপূৰ্ণ পৰিবৰ্তন হৈছিল। অৰশ্যে এই সেউজ বিপ্লৱক কৃষি আধুনিকীকৰণৰ এক চৰকাৰী কাৰ্যসূচী বুলিহে জনা যায়। উল্লেখ্য যে এই বিপ্লৱক বাস্তৱ ৰূপ দিবলৈ বহু অৰ্থৰ যোগান ধৰিছিল কিছু আন্তঃৰাষ্ট্ৰীয় সংস্থাই। ইয়াৰ লগতে এই সংস্থাবোৰে বৃহৎ পৰিমাণৰ উৎপাদনৰ বাবে উন্নত শস্যৰ প্ৰজাতি, কীটনাশক দ্ৰব্য, সাৰ আৰু কৃষিৰ প্ৰয়োজনীয় সঁজুলিৰ যোগান ধৰিছিল।

সেউজ বিপ্লৱৰ কাৰ্যসূচী বা কৰ্মসূচীবোৰ প্ৰথমে আৰু প্ৰধানকৈ সেইবোৰ অঞ্চলত প্ৰয়োগ কৰা হৈছিল য'ত জলসিঞ্চনৰ সু-ব্যৱস্থা আছিল। কাৰণ নতুন জাতৰ গুটি গজিবৰ বাবেই হওক বা নতুন কৃষি পদ্ধতিৰ বাবেই হওক পানীৰ অতি প্ৰয়োজন আছিল। এই বিপ্লৱ আনিব খোজা আঁচনিবোৰ প্ৰধানকৈ ধান আৰু ঘেঁহু উৎপাদন হ'ব পৰা অঞ্চলবোৰত প্ৰয়োগ কৰা হৈছিল আৰু এই দুইবিধ কৃষি হ'ব পৰা প্ৰায়বোৰ অঞ্চলেই সাঙুৰি লোৱা হৈছিল। ইয়াৰ ফলস্বৰূপে দেশৰ সকলো ঠাইত সেউজ বিপ্লৱৰ আঁচনিবোৰ প্ৰয়োগ কৰা নহৈছিল। প্ৰধানকৈ পাঞ্জাৱ, উত্তৰ প্ৰদেশ, অন্ধ্ৰ প্ৰদেশৰ উপকূল, তামিলনাডু কিছু অঞ্চলত সেউজ বিপ্লৱৰ আঁচনিবোৰ প্ৰয়োগ হৈছিল। উল্লেখ্য যে এই অঞ্চলবোৰত হোৱা দ্ৰুত সামাজিক আৰু অৰ্থনৈতিক পৰিৱৰ্তনে সমাজ বিজ্ঞানৰ অধ্যয়নৰ পৰিসৰ বৃদ্ধি কৰিলে।

এই অঞ্চলবোৰত নতুন প্ৰযুক্তি ব্যৱহাৰে কৃষি উৎপাদন বৃদ্ধিত সহায় কৰিলে আৰু এই উৎপাদন বৃদ্ধি এনে ভাৱে হ'ল যে, কেইটিমান দশকৰ পাছতে ভাৰতবৰ্ষই খাদ্য শস্য

উৎপাদনৰ ক্ষেত্ৰত যথেষ্ট উন্নতি কৰিলে। ইয়াৰ লগে লগে এই সেউজ বিপ্লৱ আঁচনিখন চৰকাৰ আৰু যিসকল বিজ্ঞানীৰ প্ৰচেষ্টাত প্ৰয়োগ কৰা হৈছিল তেওঁলোকৰ বাবে এক কৃতকাৰ্য কাৰ্যসূচী হিচাপে পৰিগণিত হ'ল।

সেউজ বিপ্লৱ সূচনা হোৱা অঞ্চলবোৰত প্ৰধানকৈ মধ্যম আৰু বৃহৎ উৎপাদনকাৰী কৃষকসকল সেউজ বিপ্লৱৰ অংশ হিচাপে ব্যৱহাৰ কৰা নতুন প্ৰযুক্তি বিদ্যাৰ যোগে সফলতা লাভ কৰিছিল। কিন্তু তাৰ বিপৰীতে নিম্ন পৰিমাণৰ উৎপাদনকাৰী বা উপান্ত কৃষক সকলে বিশেষ সুফল নাপাইছিল। কিয়নো অৰ্থৰ অভাৱত এই উপান্ত কৃষক সকলে উচ্চ প্ৰযুক্তিগত সঁজুলি ক্ৰয় কৰি ব্যৱহাৰ কৰিব পৰা নাছিল। এনে বহু কৃষকেই বজাৰৰ বাবে বা বিক্ৰীৰ বাবে শস্য উৎপাদন নকৰি কেৱল নিজৰ পৰিয়ালৰ বাবেহে উৎপাদন কৰে। এনে উৎপাদনকাৰী কৃষিক জীৱন ধাৰণৰ বাবে উৎপাদিত কৃষি (Subsistence agriculture) আৰু এনে কৃষকক সাধাৰণ কৃষক (Peasant) বোলা হৈছিল। আনহাতে বহু কৃষকে নিজৰ উপৰিও বজাৰৰ বাবে বিক্ৰীৰ বাবেও শস্য উৎপাদন কৰি বজাৰৰ লগত সম্পূৰ্ণ জড়িত হৈ পৰে। এনে দৰেই বহু কৃষকে সেউজ বিপ্লৱৰ যোগে অধিক শস্য উৎপাদন কৰি লাভান্বিত হ'ল আৰু কৃষিৰ ক্ষেত্ৰত বাণিজ্যকৰণ সম্ভৱ হ'ল।

এইদৰেই সেউজ বিপ্লৱ অহাৰ প্ৰথম দশকত অৰ্থাৎ ১৯৬০ চনৰ পৰা ১৯৭০ চনৰ ভিতৰত নতুন প্ৰযুক্তি বিদ্যাৰ উদ্ভাৱনে বহুতো কৃষকলৈ অভূতপূৰ্ব সফলতা আনি দিলে। সফল খেতিয়কে নিজৰ মাটি, মূলধন, নতুন উচ্চ প্ৰযুক্তিবিদ্যা, নতুন প্ৰজাতিৰ বীজ আৰু আধুনিক সাৰ ব্যৱহাৰ কৰিছিল। তেওঁলোকে অধিক উৎপাদন লাভ কৰি সেয়া বিক্ৰীৰ যোগে অৰ্থনৈতিক ভাৱেও লাভান্বিত হৈছিল। ইয়াৰোপৰি মাটিৰ মালিকৰ পৰা মাটি লৈ আধি হিচাপত খেতি কৰা আধিয়াৰ কৃষকৰ পৰিমাণ কমি আছিল। কাৰণ মাটিৰ মালিক সকলে আধিত খেতি কৰিবলৈ মাটি দিয়া বন্ধ কৰি সেই মাটিত তেওঁলোকে নিজেই উন্নত প্ৰযুক্তিৰে খেতি কৰিবলৈ লৈ অধিক উৎপাদনৰ প্ৰয়াস কৰিছিল। এই ব্যৱস্থাৰ যোগে ধনী কৃষকসকলৰ অৰ্থনৈতিক অৱস্থা অধিক উন্নত হৈছিল আৰু উপান্ত কৃষকৰ অৱস্থা অধিক শোচনীয় হৈ পৰিছিল। এই ধনী সকল ক্ৰমশ ধনী হৈ গৈ থকা আৰু দুখীয়াসকল দুখীয়া হৈ গৈ থকা প্ৰক্ৰিয়াটোৱে এই দুই শ্ৰেণীৰ মাজত এক 'পৃথকীকৰণ' (Differentiation) কৰি তুলিলে। আনহাতে বহু ঠাইত কৃষি শ্ৰমিকৰ প্ৰয়োজনীয়তা বৃদ্ধি পোৱাত কৃষি শ্ৰমিকৰ নিয়োগ বাঢ়িছিল আৰু বাঢ়ি গৈছিল তেওঁলোকৰ মজুৰি। অৱশ্যে বহু ক্ষেত্ৰত উৎপাদিত শস্যৰ পৰিৱৰ্তে মজুৰি হিচাপে নগদ ধন দিয়াৰ পদ্ধতিয়ে বহুবোৰ গ্ৰাম্য কৃষকৰ অৱস্থা শোচনীয় কৰি তুলিছিল।

সেউজ বিপ্লৱৰ প্ৰথম পৰ্যায় ওপৰত উল্লেখ কৰা দৰে প্ৰয়োগ হোৱাৰ পাছত দ্বিতীয় পৰ্যায় আৰম্ভ হৈছে— বৰষুণ কম হৈ শুকান হৈ থকা অঞ্চলবোৰত। এই অঞ্চলবোৰত

জলসিঞ্চন ব্যৱস্থাৰ সহায়ত শুকান ঠাইত কৰা কৃষিৰ পৰিৱৰ্তে সেমেকা ঠাইত কৰা কৃষিৰ সূচনা হ'ল আৰু শস্য কৰাৰ প্ৰণালীও পৰিৱৰ্তন হ'ল। ইয়াৰ লগে লগে শস্যৰ উৎপাদন বৃদ্ধি হৈ লাহে লাহে বিক্ৰী কৰাৰ ব্যৱস্থাও আহি পৰিল। লগতে সেই কৃষকসকল অৰ্থনৈতিক ভাৱে বহু পৰিমাণে লাভান্বিত হ'ল। এইদৰেই এই কৃষকসকলে যিসকলে আগতে কেৱল নিজে খোৱাৰ বাবেহে উৎপাদন কৰিছিল, তেওঁলোকে বজাৰৰ চাহিদা পূৰণৰ বাবেও উৎপাদন কৰিবলৈ ধৰিলে। উল্লেখ্য যে, বজাৰ ভিত্তিক কৃষিত (market oriented cultivation) ত যেতিয়া এটা নতুন প্ৰকাৰৰ শস্যই মূৰ দাঙি উঠে অৰ্থাৎ এবিধ নতুন শস্যই বজাৰ লাভ কৰে, তেতিয়া পুৰণি শস্যৰ বজাৰ কমি আহে বা বিক্ৰী কমি আহে।

সেউজ বিপ্লৱৰ আন এটা ঋণাত্মক দিশ হ'ল—ই আঞ্চলিক অসমতা (regional inequalities) বৃদ্ধি কৰিছিল। কিছুমান ঠাই প্ৰযুক্তিবিদ্যাৰ পৰিৱৰ্তন অৰ্থাৎ কৃষি খণ্ডত প্ৰয়োগ কৰা নতুন প্ৰযুক্তিবিদ্যাৰ যোগেদি উন্নয়ন হোৱাৰ বিপৰীতে এনে নতুন প্ৰযুক্তিবিদ্যা প্ৰয়োগ নোহোৱা বহু ঠাই স্থবিৰ হৈ ৰৈছিল। উদাহৰণ স্বৰূপে ঃ দেশৰ পশ্চিম আৰু দক্ষিণ অঞ্চলত সেউজ বিপ্লৱৰ প্ৰভাৱ অপৰিসীম। বিশেষকৈ পঞ্জাৱ, হাৰিয়ানা, উত্তৰপ্ৰদেশৰ পশ্চিম অঞ্চলত দেশৰ পূৱ অংশতকৈ বেছি (দাস, ১৯৯৯)। আনহাতে বিহাৰ, উত্তৰ প্ৰদেশৰ পূৱ প্ৰান্ত আৰু টেলেংগানাৰ দৰে খৰাং অঞ্চলবোৰত সেউজ বিপ্লৱৰ প্ৰভাৱ আশানুৰূপ নাছিল। ইয়াৰ মুল এক কাৰণ হ'ল এই অঞ্চলবোৰত তেতিয়া 'সামন্তবাদী' ভূমি-বিষয়ক সংৰচনা, ('feuda' agrarian structure) বৰ্তি আছিল য'ত মাটিৰ অধিকাৰী হ'ব পৰা জাতি আৰু মাটিৰ গৰাকীসকলে. ভূমিহীন শ্ৰমিক আৰু ক্ষুদ্ৰ কৃষক আৰু নিম্ন জাতিৰ লোক সকলৰ ওপৰত ক্ষমতা বিস্তাৰ কৰি আছিল। সেয়ে সেই সময়ত শ্ৰেণী অসমতা, জাতি অসমতা আৰু শ্ৰমিকক কৰা শোষণ ইত্যাদিবোৰ একলগ হৈ উচ্চ জাতি আৰু নিম্ন জাতি, উচ্চ শ্ৰেণী আৰু নিম্ন শ্ৰেণী বা শোষণকাৰী আৰু শোষিত সকলৰ মাজত এক বিষম পৰিস্থিতিৰ সৃষ্টি হৈছিল।

বহুলোকে প্ৰায়ে এটা কথা ভাৱে যে প্ৰকৃতাৰ্থত কৃষি পদ্ধতিত আধুনিক বিজ্ঞান সন্মত পদ্ধতি প্ৰয়োগ কৰাৰ পৰাই ভাৰতীয় কৃষকসকলৰ জীৱন ধাৰণৰ মানদণ্ডত বহু পৰিমাণে উন্নতি হ'ল। অৱশ্যে সেউজ বিল্পৱ আৰম্ভ হোৱাৰ বহু পূৰ্বৰে পৰাই ভাৰতীয় বহুঠাইৰ লোক কৃষিৰ লগত জড়িত। এই লোকসকলৰ কৃষি ভূমি চহ কৰা, গুটি সিঁচা, শস্য চপোৱা ইত্যাদিৰ বিষয়ত বিস্তৃত আৰু গভীৰ পৰম্পৰাগত জ্ঞান আছিল। কিন্তু ইয়াৰ বহু পৰম্পৰাগত জ্ঞান সেউজ বিল্পৱ হোৱাৰ পাছত কমি গ'ল। বিশেষকৈ শস্যৰ গুটি সংগ্ৰহ কৰি সেই গুটিক পুনৰ কৃষি ভূমিত সিঁচিবলৈ সংৰক্ষণৰ পৰম্পৰাগত জ্ঞান বা সংৰক্ষণ কৰা গুটিক ভূমিত সিঁচি, তাৰ পৰা বিকাশ হোৱা শস্যৰ পুলিক মাটিত ৰোপণ কৰাৰ যি পৰম্পৰাগত জ্ঞান বা কৌশল শতিকা শতিকা জুৰি বৰ্তি আছিল, এই জ্ঞান বা কৌশলবোৰ লাহে লাহে হেৰাই গ'ল। ইয়াৰ মূল কাৰণ হ'ল কৃষি খণ্ডত নতুন প্ৰযুক্তিগত

কৌশলৰ প্ৰয়োগ, যিবোৰৰ যোগে বৰ্ণসংকৰ আৰু উন্নত জাতৰ শস্যৰ প্ৰকাৰ উদ্ভাৱন, সেইবোৰ কৃষি খণ্ডত ব্যৱহাৰ কৰি বৃহৎ পৰিমাণত উৎপাদন ইত্যাদি। (গুপ্তা ১৯৯৮; ভাজাভি ১৯৯৯) (Gupta 1998 ; Vasavi 1999 b)।

অৱশ্যে পৰিবেশৰ ওপৰত আৰু সমাজৰ ওপৰত এই নতুন প্ৰযুক্তি বিদ্যাই বিৰূপ প্ৰভাৱ পেলাইছে বুলি মত পোষণ কৰি বহু বিজ্ঞানী আৰু কৃষক আন্দোলনে এই নতুন প্ৰযুক্তিগত কৌশলৰ বিৰোধিতা কৰিছে। এইসকললোকে ইয়াৰ বিপৰীতে পৰম্পৰাগত পদ্ধতি প্ৰয়োগ কৰি কৃষি কাৰ্য কৰাৰহে পৰামৰ্শ আৰু মত আগবঢ়াই আহিছে। এই ক্ষেত্ৰত আনকি বহু গ্ৰাম্য লোকেও বিশ্বাস কৰে যে বৰ্ণসংকৰ জাত বা নতুন প্ৰযুক্তিৰে কৃত্ৰিম ভাৱে উদ্ভাৱন কৰা শস্যৰ জাতৰ গুটি বা গছবোৰ পৰম্পৰাগতভাৱে সৃষ্টি হোৱা গুটি আৰু গছবোৰতকৈ কম স্বাস্থ্যবান।

**বন্ধনী ৪.২**

বহু ঠাইত স্থানীয় সমালোচকসকলে জৈৱিক ভাৱে অৰ্থাৎ কোনো কৃত্ৰিম ব্যৱস্থা নকৰি উৎপন্ন কৰা সম্পূৰ্ণ উৎপাদিত শস্য আৰু কৃত্ৰিম ভাৱে কৰা বৰ্ণ সংকৰ জাতীয় উৎপাদিত শস্যৰ মাজত তুলনা কৰি চাইছিল।

## ৪.৪ স্বাধীনতাৰ পৰৱৰ্ত্তী সময়ত গ্ৰাম্য সমাজৰ পৰিৱৰ্তনবোৰ (Trasformations in Rural Society after Independence)

ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰাৰ পাছত বহুতো গ্ৰাম্যাঞ্চলত সামাজিক সম্বন্ধৰ প্ৰকৃতিৰ পৰিৱৰ্তন ঘটিল। বিশেষকৈ সেউজ বিপ্লৱ হোৱা ঠাইবোৰত এনে সম্পৰ্কত পৰিৱৰ্তন দেখা গ'ল। এইবোৰ হ'ল-

- কৃষিৰ ক্ষেত্ৰত অধিক পৰিমাণৰ কৃষি শ্ৰমিকৰ ব্যৱহাৰে কৃষি শস্যৰ অধিক উৎপাদন সম্ভৱ কৰি তুলিলে।
- কৃষিৰ বিভিন্ন দিশত বিশেষকৈ কৃষি শ্ৰমিকৰ ক্ষেত্ৰত পাৰিশ্ৰমিক হিচাপে শস্যৰ সলনি নগদ ধন দিয়াৰ ব্যৱস্থা কৰা হ'ল।
- মাটিৰ মালিক আৰু কৃষি শ্ৰমিকৰ (যি সকলক চুক্তি হৈ থকা বন্ধা শ্ৰমিক বুলি জনা যায়) মাজত থকা 'পৰম্পৰাগত চুক্তিনামা' (traditional bond) বা 'বংশানুক্ৰমিক সম্পৰ্ক' (hereditary relationship) অৰ্থাৎ বংশগত ভাৱে যিবোৰ শ্ৰমিক মাটিৰ মালিক সকলৰ ঘৰত শ্ৰম কৰি গৈ এটা সম্পৰ্ক গঢ়ি তুলিছিল, এনে সম্পৰ্ক বহু পৰিমাণে কমি গৈছিল।
- লগতে এক মুক্ত (free) দিনহাজিৰা কৰা শ্ৰমিক শ্ৰেণীৰ সৃষ্টি হ'ল।

সমাজতত্ত্ববিদ Jan Breman এ মাটিৰ গৰাকী (যি সকল সাধাৰণতে উচ্চ জাতিৰ বা প্ৰভাৰশালী জাতিৰ লোক) আৰু কৃষি শ্ৰমিক (যি সকল সাধাৰণতে নিম্ন জাতিৰ লোক) ৰ মাজত থকা পূৰ্বৰ সম্পৰ্কৰ যি পৰিবৰ্তন ঘটিল তাক পৃষ্ঠপোষকতাৰ পৰা শোষণলৈ পৰিবৰ্তন (patronage to exploitation) বুলি বৰ্ণনা কৰিছে (Breman, 1974) । এনেকুৱা পৰিবৰ্তন হৈছিল বিশেষকৈ কৃষিক বাণিজ্যিক বা ব্যৱসায়িক হিচাপে লোৱা অঞ্চলত। শ্ৰমিকৰ এই সামাজিক সম্বন্ধৰ পৰিবৰ্তনক বহুতো ব্যক্তিয়ে পুঁজিবাদী কৃষিলৈ (Capitalist agriculture) পৰিবৰ্তনৰ দিশ সূচাইছে বুলি মত পোষণ কৰিছে। কাৰণ পুঁজিবাদী উৎপাদন ব্যৱস্থাৰ ধৰণটোৰ ভিত্তিয়েই হৈছে শ্ৰমিকক উৎপাদনৰ আহিলাৰ পৰা (এই ক্ষেত্ৰত ভূমি) পৃথকীকৰণ আৰু 'মুক্ত' দিনহাজিৰা কৰা শ্ৰমিক। সাধাৰণতে, এই কথা সঁচা যে, যিবোৰ অঞ্চলৰ কৃষক খেতিৰ প্ৰতি অতি আগ্ৰহী আছিল, তেওঁলোক বজাৰ অৰ্থনীতিৰ দিশত বেছিকৈ ধাৱমান হৈছিল। যিমানেই কৃষি বাণিজ্যিক দিশে আগবাঢ়িছিল, সিমানেই বহু গ্ৰাম্য অঞ্চল অৰ্থনৈতিকভাৱে অধিক টনকিয়াল হৈছিল আৰু লগে লগে ব্যৱসায় আৰু নিয়োগৰ সুবিধা বৃদ্ধি পাইছিল। এই খিনিতে আমি এই কথাও মনত ৰাখিব লাগিব যে ঔপনিবেশিকতাৰ সময়ছোৱাতেই দেশৰ বহু অঞ্চলত এই পৰিবৰ্তন প্ৰক্ৰিয়া আৰম্ভ হৈছিল। ১৯ শতিকাত দেশৰ বহু অঞ্চলত এনে প্ৰক্ৰিয়াৰ যোগে হোৱা পৰিবৰ্তনে বিশ্বৰ বাণিজ্যতো সংযোগ স্থাপন কৰিব পাৰিছিল। উদাহৰণ স্বৰূপে মহাৰাষ্ট্ৰৰ এক বৃহৎ অঞ্চল কপাহী খেতিৰ বাবে এৰি দিয়া হৈছিল আৰু ফলত কপাহৰ খেতিয়কসকলে প্ৰচুৰ পৰিমাণে কপাহ উৎপাদন আৰু ব্যৱসায়ত সফলতা লাভ কৰি বিশ্ব অৰ্থনীতিৰ লগত প্ৰত্যক্ষ সংযোগ স্থাপন কৰিবলৈ সমৰ্থ হৈছিল। তদুপৰি দেশে স্বাধীনতা লাভ কৰাৰ পাছত দেশত পৰিবৰ্তনৰ গতি ক্ৰমশঃ বৃদ্ধি পোৱাত চৰকাৰে বিভিন্ন আধুনিক পদ্ধতিৰে কৃষি কৰি কৃষি ক্ষেত্ৰত উন্নয়ন কৰাৰ লগতে গ্ৰাম্য অৰ্থনীতি আৰু অধিক সবল কৰাৰ প্ৰচেষ্টা হাতত লৈছিল। লগতে ৰাষ্ট্ৰই কৃষি উন্নয়ণৰ বাবে প্ৰয়োজনীয় গ্ৰাম্যাঞ্চলৰ আন্তঃ গাঁথনি উন্নয়নৰ বাবেও বিনিয়োগ কৰিছিল। এই ক্ষেত্ৰত জলসিঞ্চন ব্যৱস্থা, ৰাস্তা আৰু বৈদ্যুতিকৰণ, কৃষকৰ বাবে বেংকৰ পৰা ঋণৰ ব্যৱস্থা ইত্যাদিৰ বাবে আঁচনি গ্ৰহণ কৰিছিল।

'গ্ৰামোন্নয়নৰ' ৰ বাবে চলোৱা প্ৰচেষ্টাসমূহৰ সামগ্ৰিক ফলাফলত অকল গ্ৰাম্য অৰ্থনীতি আৰু কৃষিয়েই নহয় লগতে ভূমিবিষয়ক সংৰচনা আৰু স্বয়ং সমাজৰো ৰূপান্তৰ ঘটিছিল।

এক নিৰ্দ্দিষ্ট পথেৰে ১৯৬০ ৰ পৰা ১৯৭০ চনৰ ভিতৰত কৃষি উন্নয়নৰ যোগে গ্ৰাম্য-সামাজিক সংৰচনালৈ পৰিবৰ্তন আহিছিল। এই পৰিবৰ্তনৰ মূলতে আছিল বৃহৎ কৃষক (large farmer) আৰু মধ্যম কৃষক (medium farmer) সকলে কৃষি উন্নয়নৰ বাবে গ্ৰহণ কৰা নতুন প্ৰযুক্তি বিদ্যা। এই সমগ্ৰ প্ৰক্ৰিয়াটিৰ বিষয়ে আগৰ খণ্ডটিত আলোচনা কৰি অহা হৈছে। সেই সময়ত দেখা গৈছিল যে কৃষিগতভাৱে চহকী ঠাই যেনে- অন্ধ্ৰ প্ৰদেশৰ উপকূল






দেশৰ বিভিন্ন অঞ্চলত কৰা কৃষি কাৰ্য



অঞ্চল, উত্তৰ প্ৰদেশৰ পশ্চিম অঞ্চল, কেন্দ্ৰীয় গুজৰাট ইত্যাদি অঞ্চলৰ বহুতো বিত্তবান কৃষকে যিসকল মূলত প্ৰভাৱশালী জাতিৰ আছিল, তেওঁলোকে কৃষিৰ পৰা পোৱা লাভাংশ অন্যান্য ব্যৱসায়ত খটুৱাইছিল। এনে ধৰণৰ প্ৰক্ৰিয়াই সেই অঞ্চলবোৰত ব্যৱসায়-বাণিজ্যত উদ্যমী এটা নতুন সমূহৰ সৃষ্টি কৰিলে। উল্লেখ্য যে এই সমূহৰ পৰাই বহুলোক আকৌ গাঁৱৰ পৰা নগৰলৈ প্ৰব্ৰজন কৰিলে যাতে ব্যৱসায়- বাণিজ্যত অধিক সফলতা লাভ কৰিব পাৰে। এই লোকসকলৰ পৰাই আকৌ এটা সম্ভ্ৰান্ত শ্ৰেণী (elite class) ৰ সৃষ্টি হ'ল যিসকল অৰ্থনৈতিক আৰু ৰাজনৈতিক ভাৱে প্ৰতিপত্তিশীল হৈ পৰিছিল। (Rutten 1995)। শ্ৰেণী সংৰচনাত হোৱা এই পৰিবৰ্তনৰ যোগেদি গাঁও আৰু ক্ৰমশঃ নগৰলৈ পৰিবৰ্তন হোৱা বহু অঞ্চলত ব্যক্তিগত মহাবিদ্যালয় প্ৰতিষ্ঠা হৈ উচ্চ শিক্ষাৰ প্ৰসাৰণ ঘটিল। আকৌ এই শিক্ষানুষ্ঠান সমূহত সেই অঞ্চলবোৰত সৃষ্টি হোৱা সম্ভ্ৰান্ত শ্ৰেণীৰ বহু ছাত্ৰ- ছাত্ৰীয়ে





কৃষিত প্ৰযুক্তি বিদ্যাৰ পৰিবৰ্তন

পঢ়া-শুনা কৰি গৈ বিভিন্ন বৃত্তিত যোগদান কৰাৰ লগতে বহুতে আকৌ ব্যৱসায়-বাণিজ্যও আৰম্ভ কৰিলে। এনেদৰেই লাহে লাহে নগৰ অঞ্চলত থকা এইসকল মধ্য শ্ৰেণীৰ লোকৰ সংখ্যা বাঢ়ি আহিল। অৰ্থাৎ তেওঁলোকেও নগৰৰ মধ্য শ্ৰেণীত স্থান লাভ কৰিলে।

এনেদৰেই যিবোৰ ঠাইত কৃষিয়ে ক্ষীপ্ৰ গতিত উন্নতি লাভ কৰিছিল, তেনে ঠাইবোৰত থকা কৃষকসমূহৰ পৰাই এটা সময়ত উদ্যোগী লোকৰ সৃষ্টি হৈ গ্ৰাম্য আৰু নগৰ অঞ্চলত এটি প্ৰতিপত্তিশীল শ্ৰেণীৰ সৃষ্টি কৰিলে। আনহাতে উত্তৰ প্ৰদেশৰ পূৱ অংশ, বিহাৰ ইত্যাদিৰ বহু অঞ্চলত ভূমি সংস্কাৰৰ উপযুক্ত নীতি, ৰাজনৈতিক তৎপৰতা আৰু পুনৰ বিতৰণ ব্যৱস্থাৰ অভাৱ দেখা গৈছিল। এই দিশবোৰে প্ৰকৃততে কৃষি খণ্ডত কম পৰিবৰ্তনহে সূচোৱাৰ লগতে বেছিভাগ মানুহৰ জীৱন প্ৰণালী বেছি পৰিমাণে পৰিবৰ্তিত নহ'ল। কিন্তু ইয়াৰ বিপৰীতে কেৰালাৰ দৰে ৰাজ্যত এক ব্যতিক্ৰমী উন্নয়ন দেখা গ'ল য'ত ৰাজনৈতিক তৎপৰতা, পুনৰ বিতৰণ ব্যৱস্থা আৰু বহিঃ অৰ্থনীতি (মূলত উপসাগৰীয় দেশসমূহ) ৰ সৈতে যোগাযোগ গ্ৰাম্যাঞ্চললৈ যথেষ্ট পৰিৱৰ্তন আনিছিল। গুৰুত্বপূৰ্ণ কথাটো হ'ল ভূমি-বিষয়ক অৰ্থব্যৱস্থাৰ গতানুগতিক গ্ৰাম্য সমাজৰ পৰিৱৰ্তে কেৰালাৰ গ্ৰাম্যাঞ্চলৰ অৰ্থ ব্যৱস্থা হৈছে মিশ্ৰ প্ৰকৃতিৰ। এই ব্যৱস্থাত কৃষিক এক বহল নেটৱৰ্কৰ খুচুৰা বিক্ৰী আৰু সেৱাৰ সৈতে একত্ৰিত কৰা হৈছে য'ত বহুতো পৰিয়ালৰ জীৱিকা বিদেশৰপৰা প্ৰেৰিত ধনৰ ওপৰত নিৰ্ভৰশীল।



কাষৰ ছবিখন হ'ল কেৰালাৰ এখন গাঁৱৰ "চুক্ৰথাম" (Sukrutham) নামৰ এটি ঘৰৰ। এই ঘৰটি পালাক্কাদ জিলা নগৰৰ পৰা ৩ কিলোমিটাৰ দূৰৰ য়াক্কাৰ নামৰ গাঁওখনত অৱস্থিত।

## ৪.৫ শ্ৰমিকৰ সৰবৰাহ (CIRCULATION OF LABOUR)

গ্ৰাম্য সমাজত আন এটি গুৰুত্বপূৰ্ণ পৰিবৰ্তন হ'ল প্ৰব্ৰজনকাৰী কৃষি শ্ৰমিকৰ সংখ্যা বৃদ্ধি। লাহে লাহে শ্ৰমিক বা আধিয়াৰ আৰু জমিদাৰ সকলৰ মাজত থকা পৰম্পৰাগত চুক্তি হ্ৰাস পালে বা পৰম্পৰাগত চুক্তি অনুযায়ী যিবোৰ শ্ৰমিকে মাটিৰ মালিকৰ ঘৰত কৃষি কাৰ্য কৰিছিল, তেনে শ্ৰমিকৰ পৰিমাণ কমি গ'ল আৰু তাৰ ঠাইত ঋতুগত বা কৃষিৰ সময়তহে শ্ৰমিক হিচাপে কাম কৰা কৃষি শ্ৰমিকৰ পৰিমাণ বাঢ়ি গ'ল। বিশেষভাৱে সেউজ বিপ্লৱ হোৱা অঞ্চলবোৰত এই পৰিৱৰ্তন দেখা গ'ল। প্ৰধানকৈ পঞ্জাৱৰ দৰে অঞ্চলত য'ত শ্ৰমিকৰ মজুৰিৰ পৰিমাণ বেছি সেই ঠাইবোৰলৈ এনে শ্ৰমিকৰ প্ৰব্ৰজন হৈ শ্ৰমিকৰ পৰিমাণ বৃদ্ধি কৰিলে। বহুলোকে এনে জীৱিকাৰ সন্ধানত আৰু উপযুক্ত মজুৰিৰ আশাত প্ৰব্ৰজন কৰি ইঠাইৰ পৰা সিঠাইলৈ ঘূৰি ফুৰে। এইদৰে নিয়মিতৰূপত নিৰ্দ্দিষ্ট কাৰ্যকালৰ বাবে প্ৰব্ৰজন কৰা শ্ৰমিকসকলে তেওঁলোকৰ বয়োজ্যেষ্ঠ পিতৃ-মাতৃৰ সৈতে তেওঁলোকৰ পত্নী আৰু সন্তানসকলক নিজৰ গাঁৱৰ ঘৰত এৰি থৈ যায়। এই প্ৰব্ৰজনকাৰী শ্ৰমিক সকল প্ৰধানত খৰাং আৰু কম উৎপাদন হোৱা অঞ্চলৰ পৰা বিভিন্ন ঠাইলৈ বিশেষকৈ পাঞ্জাৱ আৰু হাৰিয়ানাৰ কৃষি পথাৰবোৰত কাম কৰিবলৈ আহে। তেওঁলোকৰ বহুতে আকৌ উত্তৰ প্ৰদেশৰ বিভিন্ন ইটা ভাটা বা নতুন দিল্লী আৰু বাংগালোৰ মহানগৰৰ বিভিন্ন ঘৰ নিৰ্মাণত শ্ৰমিক হিচাপে নিয়োজিত হয়। এনে ধৰণৰ প্ৰব্ৰজনকাৰী শ্ৰমিকসকলক Jan Breman এ 'মুক্ত শ্ৰমিক' (footloose labour) হিচাপে আখ্যা দিছে। কিন্তু Jan Breman ৰ অধ্যয়নে প্ৰকাশ কৰিছে যে, ভূমিহীন শ্ৰমিক সকলক উচিত পৰিমাণৰ মজুৰি দিয়া নহয়। এই খিনিতে এটা কথা উল্লেখ কৰিব পাৰি যে, ধনী কৃষকসকলে স্থানীয় শ্ৰমিকতকৈও এনে প্ৰব্ৰজনকাৰী শ্ৰমিকক শস্য চপোৱা বা তেনে জাতীয় কামত নিয়োগ কৰে। ইয়াৰ মূল কাৰণ হ'ল, আঁতৰৰ পৰা প্ৰব্ৰজিত শ্ৰমিকসকলক সম্পদশালী কৃষকসকলে সহজে শোষণ কৰিব পাৰে আৰু কম মজুৰিতে কামত খটুৱাব পাৰে। পিছে এই প্ৰব্ৰজনকাৰী শ্ৰমিকসকলক আগস্থান দিয়া কাৰ্যটোৱে কিছুমান ঠাইত এটা বিশেষ পৰিস্থিতিৰ সৃষ্টি কৰিছে। সেয়া হ'ল, সেই ঠাইবোৰত কৃষি কাৰ্য কৰাৰ মূল সময়ছোৱাত যেতিয়া প্ৰব্ৰজনকাৰী শ্ৰমিকক আন ঠাইৰ পৰা কৃষি কাৰ্যৰ বাবে অনা হয়, সেই সময়ছোৱাত স্থানীয় ভূমিহীন শ্ৰমিক সকলে আন ঠাইলৈ গৈ কামৰ সন্ধান কৰি ফুৰে। এই প্ৰক্ৰিয়াটো প্ৰধানকৈ কুঁহিয়াৰ উৎপাদন হোৱা ঠাইবোৰত দেখা যায়। কিন্তু এই ঠাইবোৰলৈ হোৱা এনে প্ৰব্ৰজন আৰু কৰ্মসংস্থানৰ নিৰাপত্তাহীনতাই স্থানীয় শ্ৰমিকসকলৰ জীৱন ধাৰণৰ মানদণ্ডও নিম্নখাপৰ কৰি তুলিছে। ওপৰত উল্লেখিত ধৰণে বৃহৎ সংখ্যক শ্ৰমিকৰ প্ৰব্ৰজন আৰু সৰবৰাহৰ ফলত বহু গ্ৰাম্য সমাজত উল্লেখনীয় প্ৰভাৱ পৰিছে। এই ক্ষেত্ৰত য'ৰপৰা শ্ৰমিকসকল আহে আৰু যি ঠাইলৈ আহে, দুয়োঠাইৰে গ্ৰাম্য সমাজত প্ৰভাৱ পৰে। উদাহৰণস্বৰূপে, বহুবোৰ দৰিদ্ৰ প্ৰধান অঞ্চলৰ

পুৰুষসকলে কৰ্মৰ অন্বেষণত যেতিয়া বহুদিন ধৰি ঘৰৰ পৰা দূৰৈত কটায়, সেই সময়ত ঘৰত থকা মহিলাসকলৰ মূল কাৰ্য হয় কৃষি। তেওঁলোকেই হৈ পৰে কৃষি উৎপাদনত প্ৰয়োজন হোৱা শ্ৰমৰ মূল উৎস। পিছে তেওঁলোকৰ কৰ্মৰো বিশেষ নিৰাপত্তা নাই কিয়নো তুলনামূলকভাৱে পুৰুষতকৈও কম পাৰিশ্ৰমিকত তেওঁলোকে কাম কৰে। আনকি চৰকাৰী পৰিসংখ্যাত শ্ৰমিক হিচাপে তেওঁলোকৰ নাম কমেইহে প্ৰকাশিত হয়। যি সময়ত সেই মহিলা সকলে পাৰিশ্ৰমিক পোৱা শ্ৰমিক বা কৃষক হিচাপে কৰ্মৰত, সেই সময়তো প্ৰচলিত পিতৃ প্ৰধান ব্যৱস্থা আৰু পুৰুষক অগ্ৰাধিকাৰ দিয়া পৰম্পৰাই সেই মহিলাসকলক মাটিৰ মালিক হোৱাৰ পৰা বঞ্চিত কৰিছে।

## ৪.৬ গোলকীকৰণ, উদাৰীকৰণ আৰু গ্ৰাম্য সমাজ (Globalization, Liberalisation and Rural Society)


LETTER FROM MANSURPUR

In western UP, sugarcane is life

Avijit Ghosh | TNN

Mansurpur (UP): It's early morning. And a bunch of anarchic lorries and tractors swollen with sugarcane are already holding up the traffic on NH 58. A little ahead, a posse of bullock carts in similar condition has formed a hydra-headed queue before a sugar mill in this dusty kasba. It will be hours before the yield is delivered.

Outside, Raj Kumar Tyagi of Mubarakpur village sits by his tractor unmindful of asthmatic dust hanging thick in the air. "We are used to waiting," he says. "That's what a crop like sugarcane that takes almost a year to mature teaches farmers."

The wait, from all accounts, has been worth it. "This year, the quality and quantity is good," says Vipin Tyagi, manager (cane), Uttam Sugar Mills. The state government hasn't announced the year's procurement price yet. But the cheery mood flows from a rustic wisdom that former pradhan of Tughluqpur village, Om Singh, typifies. He says, "With UP assembly elections due early next year, farmers believe chief minister Mulayam Singh Yadav will declare a high procurement rate just like wheat." Farmer friendly organisations have been issuing press statements to keep the pressure. Last year, cane farmers earned around Rs 130-135 per quintal. This year, they hope to fetch at least Rs 150 per quintal.

But the long, jointed fibrous stalk isn't just the region's primary crop. In these parts, sugarcane is synonymous with life. It's not only the spine of the local economy; it's also the soul of its social calendar. The quantum of production and its price decides both marriage spending and motorcycle sales. The crop acts as a guarantee for farmers in need of loans. In these badlands, where kidnapping is a cottage industry, it means a lot for criminals too.

"Before the harvest, kidnappers hide their victims in tall sugarcane fields. After the crop is reaped, the venue shifts elsewhere," says Amarendra Sengar, SP Muzaffarnagar district. "But unlike Punjab, where festivals like Lohri are linked to wheat harvesting, no such celebrations are associated with sugarcane," says Muzaffarnagar-based psychologist Sanjay Singh.

Guest Editor's CHOICE

Statistics show UP contributes about 44% of India's total cane production. About 2.25 million hectares is under sugarcane cultivation. In 2005-06, the state produced around 135 million tonnes of the crop.

And western UP is cane heartland. As Pervez Garg of Mansurpur Traders Association puts it succinctly, "Everything we do or don't do is linked to sugarcane." Sari sales in his shop rise by 30% during the harvest season. Mobile phone retailer Sudesh Kumar sells three phones on an average during the off season but the harvest months (November to March), sees sales move north to six phones a day. "Sometimes, the number is as high as nine," he informs. But for a liquor seller in Khatauli kasba, the season has a different meaning. "To me, it means the end of the beer and the beginning of whisky season," he says.

BUMPER CROP: Sales of consumer goods like bikes and mobiles surge during the harvest months in rural parts of western UP

► Delays irk farmers, P 19

ভাৰতবৰ্ষই ১৯৮০ চনৰ পৰা গ্ৰহণ কৰি অহা উদাৰীকৰণ নীতিয়ে (The Policy of Liberalisation) ভাৰতবৰ্ষৰ কৃষি আৰু গ্ৰাম্য সমাজৰ ওপৰত এক গুৰুত্বপূৰ্ণ প্ৰভাৱ পেলাইছিল। এই নীতিয়ে ভাৰতবৰ্ষক World Trade Organisation (WTO) ত যোগ দিবলৈ বাধ্য কৰাইছে। ইয়াৰ লক্ষ্য হ'ল ভাৰতীয় বজাৰক আমদানিৰ বজাৰলৈ আগবঢ়াই দিয়া। কেইবাদশকো ৰাষ্ট্ৰৰ প্ৰতিপালন আৰু সুৰক্ষিত বজাৰ পাই অহাৰ পাছত ভাৰতীয় কৃষকসকল গোলকীয় বজাৰৰ লগত প্ৰতিযোগিতাৰ সন্মুখীন হ'বলগীয়া হৈছে। উদাহৰণ স্বৰূপে, আমি সকলোৱে দেখিছো যে, আমদানিকৃত ফলমূলে বা খাদ্য সামগ্ৰীয়ে আমাৰ স্থানীয় দোকানবোৰৰ আলমাৰীত স্থান পাইছে। সদ্যহতে ভাৰতবৰ্ষই ঘেঁহু আমদানি কৰিবলৈ এক বিতৰ্কিত সিদ্ধান্ত ল'লে, যিটোৱে পূৰ্বৰ খাদ্যদ্ৰব্যৰ ক্ষেত্ৰত লৈ থকা আত্মনিৰ্ভৰশীল নীতিক সলনি কৰিলে। লগতে কঢ়িয়াই আনিলে স্বাধীনতাৰ পাছৰ আমেৰিকাৰ ওপৰত নিৰ্ভৰশীল দিনবোৰৰ তিতা স্মৃতি।

এইবোৰেই আছিল কৃষিৰ ওপৰত গোলকীকৰণ ক্ৰিয়াৰ নিৰ্দেশক, যিবোৰে গ্ৰাম্য

সমাজৰ ওপৰত প্ৰত্যক্ষ প্ৰভাৱ পেলাইছে। উদাহৰণস্বৰূপে কিছুমান অঞ্চল যেনে — পঞ্জাৱ আৰু কৰ্ণাটকৰ বহুতো কৃষকে Pepsico ৰ দৰে বহু ৰাষ্ট্ৰীয় কোম্পানীৰ লগত চুক্তিবদ্ধ হৈ বিলাহী আৰু আলুৰ দৰে ৰবিশস্য উৎপাদন কৰিছিল আৰু এই উৎপাদিত শস্যবোৰ চুক্তিমতে পিছত ৰপ্তানি কৰিবৰ বাবে সেই কোম্পানীয়ে কিনি লয়। এই চুক্তিবদ্ধ প্ৰক্ৰিয়াৰ যোগে কোম্পানী বোৰে কৃষকক চলি থকা বজাৰৰ চাহিদা অনুসৰি কোন প্ৰকাৰৰ শস্য উৎপাদন কৰিব লাগিব সেয়া নিৰ্ধাৰণ কৰি দিয়ে। লগতে উৎপাদনত ব্যৱহৃত কৃষি সঁজুলি সমূহো যোগান ধৰে। ইয়াৰ বিপৰীতে, কৃষকসকলে লাভ কৰে এখন বজাৰৰ নিশ্চয়তা। কিয়নো, কোম্পানীবোৰে পূৰ্ব নিৰ্ধাৰিত দৰত উৎপাদিত সামগ্ৰীসমূহ ক্ৰয় কৰাৰ বাবে কৃষকৰ লগত আগতেই চুক্তিবদ্ধ হৈ আছে। চুক্তিবদ্ধ কৃষি এতিয়া কিছুমান শস্য উৎপাদনত, বিশেষকৈ ফুল, ফল যেনে—আঙুৰ, ডালিম লগতে কপাহ আৰু তেলৰ গুটি উৎপাদনৰ ক্ষেত্ৰত সততে দেখা যায়। অৱশ্যে এই চুক্তিবদ্ধ কৃষি পদ্ধতিয়ে কৃষকক আৰ্থিক দিশত নিৰাপত্তা প্ৰদান কৰিলেও কৃষকক অন্য এক নিৰাপত্তাহীনতাৰ মাজলৈ ঠেলি দিছে। কিয়নো সামগ্ৰীকভাৱে কৃষকসকল উক্ত কোম্পানীবোৰৰ ওপৰত নিৰ্ভৰশীল হ'ব লগা হয়। অন্যহাতে, ৰপ্তানিযোগ্য সামগ্ৰী উৎপাদনৰ এই চুক্তিবদ্ধ কৃষি পদ্ধতিয়ে আমাৰ কৃষকৰ খাদ্যশস্য উৎপাদনৰ ভূমিও সংকুচিত কৰি আনিছে। এই চুক্তিবদ্ধ কৃষি পদ্ধতিৰ এক সমাজতাত্বিক প্ৰভাৱ আছে, য'ত কৃষকৰ মাজত পুৰণি দেশীয় কৃষি জ্ঞানবোৰ অযুক্তিকৰ হিচাপে বিবেচিত হৈছে। লগতে, এই চুক্তিবদ্ধ কৃষিয়ে পাছলৈ বিলাসী বস্তুবোৰহে উৎপাদন কৰিবলৈ ল'লে য'ত, অত্যাধিক মাত্ৰাত কীটনাশক ঔষধ আৰু সাৰৰ প্ৰয়োগ হয় আৰু ই পৰিৱেশৰ বাবে অনুকূল নহয়।



**ফুলৰ খেতি**

কৃষিৰ গোলকীকৰণৰ অন্য এটি সু-বিস্তৃত দিশ হৈছে— কৃষিজাত সামগ্ৰী যেনে — বীজ, কীটনাশক ঔষধ, সাৰ আদিৰ বিক্ৰেতাৰ ৰূপত বহুৰাষ্ট্ৰীয় কোম্পানীবোৰৰ আত্মপ্ৰকাশ।

যোৱা দশক কেইটাত চৰকাৰে কৃষি বিকাশৰ কাৰ্যসূচীবোৰ কমাই আনিলে আৰু গ্ৰাম্যাঞ্চলত 'কৃষি প্ৰসাৰণ' (agricultural extension) প্ৰতিনিধিৰ বিপৰীতে কোম্পানীৰ প্ৰতিনিধিৰ সহায়ত কৃষিজাত সামগ্ৰী সমূহ যোগান ধৰিব ধৰিলে। মাজে সময়ে কোম্পানীৰ এই অভিকৰ্তা সকলেই বাৰ্তাবাহক হৈ কৃষকক নতুন বীজ আৰু কৃষি প্ৰণালীৰ নীতি-নিয়ম সমূহ জনাব ধৰিলে। অৱশ্যে নিশ্চিত ৰূপত তেওঁলোকৰ উৎপাদিত দ্ৰব্য বিক্ৰী কৰাৰ স্বাৰ্থ ইয়াত নিহিত হৈ আছে। এইবোৰেই পাছলৈ কৃষকসকলক বহুখৰচী সাৰ আৰু কীটনাশকৰ ওপৰত নিৰ্ভৰশীল কৰি তুলিলে। যিবোৰে তেওঁলোকৰ মুনাফা ক্ৰমান্বয়ে কমাই আনিলে। বহু কৃষকক ঋণগ্ৰস্ততাত ভোগালে আৰু গ্ৰাম্যাঞ্চলত পৰিৱেশীয় সমস্যাৰ সৃষ্টি কৰিলে।



**বন্ধনী ৪.৩**

**কৃষকৰ আত্মহত্যা ঃ**

১৯৯৭-৯৮ চনৰ পৰা দেশৰ বিভিন্ন অংশত ঘটি থকা কৃষকৰ আত্মহত্যা বিষয়টোৰ লগত সম্পৰ্কিত হৈ আছে' কৃষিৰ বিপৰ্যয়' যিটো মূলতঃ কৃষিৰ সংৰচনাত্মক পৰিৱৰ্তন আৰু আৰ্থিক তথা কৃষিনীতিৰ পৰিৱৰ্তনৰ বাবেই হৈছে।। ইয়াত অন্তভূৰ্ক্ত হৈ আছে-ভূমি অধিগ্ৰহণৰ পৰিৱৰ্তিত ব্যৱস্থা উদাৰীকৰণ নীতি যিয়ে ভাৰতীয় কৃষিক গোলকীকৰণৰ চাকনৈয়ালৈ নিক্ষেপ কৰিছে, মাত্ৰাধিক ব্যয়যুক্ত সজুঁলিৰ ওপৰত অত্যাধিক নিৰ্ভৰশীলতা, কৃষি সম্প্ৰসাৰণ কাৰ্যসূচীত ৰাষ্ট্ৰৰ বিপৰীতে বহুৰাষ্ট্ৰীয় কোম্পানীৰ আগ্ৰাসন, কৃষিত ৰাজ্যিক সমৰ্থক বন্ধ কৰা ইত্যাদি। চৰকাৰী পৰিসংখ্যা মতে, ২০০১ আৰু ২০০৬ চনৰ ভিতৰত অন্ধ্ৰপ্ৰদেশ, কৰ্ণাটক, কেৰালা আৰু মহাৰাষ্ট্ৰত ৪,৯০০ জন কৃষকে আত্মহত্যা কৰিছে।

ভাৰতীয় কৃষকে শতিকা জুৰি সময়ে সময়ে বিভিন্ন সমস্যা যেনে খৰাং বতৰ, ফচলত বিফলতা, বা ঋণগ্ৰস্ততা ইত্যাদিৰ সন্মুখীন হৈ আহিলেও কৃষকৰ আত্মহত্যা ভাৰতীয় কৃষিক্ষেত্ৰৰ বাবে এক নতুন সমস্যা। সমাজতত্ববিদসকলে এই ঘটনাক ব্যাখ্যা কৰিবলৈ চেষ্টা কৰিছে, সংৰচনাত্মক আৰু সামাজিক পৰিৱৰ্তনৰ দিশৰ পৰা বিচাৰ কৰি, যি কৃষি আৰু কৃষক সমাজত সংঘটিত হৈ আহিছে। আত্মহত্যা কৰা বহুতো কৃষক আছিল উপান্ত কৃষক যিসকলে প্ৰধানত সেউজ বিপ্লৱৰ যোগেদি উৎপাদন বৃদ্ধিৰ বাবে প্ৰস্তুতি চলাইছিল। যি কি নহওক, এনেধৰণৰ কৃষি পদ্ধতি অৱলম্বন কৰা মানে ভিন্ন ধৰণৰ বিপদৰ সন্মুখীন

হোৱা য'ত, উৎপাদনত ব্যয় আচৰিত ধৰণে বৃদ্ধি পায়। কাৰণ কৃষি ৰেহাই হ্ৰাস পায়, বজাৰ সমূহ স্থায়ী নহয় আৰু বহু কৃষকে উৎপাদন বৃদ্ধিৰ বাবে দামী কৃষি সঁজুলি ক্ৰয় কৰাত ব্যয় কৰে। সেইহেতু, শস্য নষ্ট হোৱা (শস্যৰ ৰোগ, অত্যধিক বৰষুণ বা শুকান বতৰ ইত্যাদিৰ বাবে) আৰু উপযুক্ত বজাৰৰ অভাৱ আৰু সেইধৰণে উৎপাদিত শস্য দ্ৰব্যৰ দৰ কমাৰ ফলত নিজ পৰিয়ালক পোহপাল দিব নোৱাৰি আত্মহত্যাক আঁকোৱালি ল'ব লগা হয়। গ্ৰাম্যাঞ্চলৰ সাংস্কৃতিক পৰিৱৰ্তনৰ বাবেও এনেধৰণৰ বিপদসংকুল পৰিস্থিতিৰ সৃষ্টি হৈছে, য'ত লাভ কৰা উপাৰ্জন ব্যয় কৰা হয়- বিবাহ কাৰ্য, যৌতুক প্ৰদান, নতুন বৃত্তি অধিগ্ৰহণ আৰু শিক্ষা আৰু স্বাস্থ্য চিকিৎসাৰ নামত (Vasavi 1999)

**ক্ৰিয়াকলাপ ৪.৪**

- পুংখানুপুংখকৈ বাতৰি কাকত পঢ়া। লগতে দৰদৰ্শন আৰু ৰেডি'অ শুনা আৰু চোৱা। এনে সম্প্ৰচাৰণত গ্ৰাম্য সমাজক কিমান বাৰ সামৰি লোৱা হৈছে? কেনেধৰণৰ বিষয় সম্প্ৰচাৰিত কৰা হৈছে?

কৃষকৰ আত্মহত্যা এক গুৰুত্বপূৰ্ণ সংকট, যাৰ অভিজ্ঞতা ভাৰতৰ বহু গ্ৰাম্যাঞ্চলৰ জনসাধাৰণে লাভ কৰি আহিছে। ক্ৰমান্বয়ে বহু কৃষকৰ বাবে কৃষি অসহনীয় হৈ পৰিল আৰু কৃষি খণ্ডত ৰাষ্ট্ৰৰ সাহায্য যথেষ্ট কমি আহিল। সমান্তৰালকৈ, কৃষি সমস্যা জনসাধাৰণৰ সমস্যা হৈ নাথাকিল। লগতে একত্ৰীকৰণৰ কৌশল অভাৱৰ বাবেই কৃষকসকলে এটা প্ৰভাৱশীল সমূহ প্ৰতিষ্ঠা কৰাত সক্ষমতা প্ৰকাশ কৰিব নোৱাৰা হ'ল, যি সমূহে চৰকাৰী নীতি নিৰ্ধাৰকসকলক তেওঁলোকৰ সপক্ষে নীতি নিৰ্ধাৰণ কৰিবলৈ হেঁচা প্ৰয়োগ কৰিব পাৰিলেহেতেন।

# প্ৰশ্নাৱলী

১। ছাত্ৰ-ছাত্ৰী সকল, তোমালোকে তলত দিয়া কথাখিনি পঢ়া আৰু তাৰ পৰাই তলত উল্লেখ কৰা প্ৰশ্ন দুটিৰ উত্তৰ লিখা।

উত্তৰ ঃ আঘান বিঘা (Aghanbigha) নামৰ ঠাইত শ্ৰমিক সকলে কাম বা শ্ৰম কৰাৰ এক বিষম বা অনাকাংখিত পৰিস্থিতিৰ সৃষ্টি হৈছিল। আৰু এই অনাকাংখিত বা বিষম পৰিস্থিতিটো সৃষ্টিৰ মূলতে আছিল মালিক শ্ৰেণীয়ে পোৱা অৰ্থনৈতিক ক্ষমতা (economic power) আৰু এটা প্ৰতিপত্তিশীল জাতিৰ সদস্য হিচাপে পোৱা অধিক ক্ষমতা। এই প্ৰতিপত্তিশীল জাতিৰ মালিক শ্ৰেণীটোৱে এনেধৰণে পোৱা ক্ষমতাক শ্ৰমিকসকলৰ বিভিন্ন দিশৰ ওপৰত অনাকাংখিত ভাৱে খটুৱাৰ ফলত শ্ৰমিক সকলৰ বাবে এক অনাকাংখিত বা বিষম পৰিস্থিতিৰ সৃষ্টি হৈছিল। এই মালিক শ্ৰেণীয়ে পোৱা সামাজিক ক্ষমতাৰ এক

উল্লেখনীয় দিশ হ'ল যে, তেওঁলোকে সেই সময়ৰ ৰাজ্যৰ প্ৰতিৰক্ষাৰ সশস্ত্ৰ শক্তি (arms) কো তেওঁলোকৰ নিজৰ স্বাৰ্থত ব্যৱহাৰ কৰিব পাৰিছিল। এনেধৰণৰ কাৰকৰ ফলতেই শ্ৰমিক আৰু প্ৰতিপত্তিশীল শ্ৰেণীৰ মাজৰ ব্যৱধান ক্ৰমশঃ বাঢ়ি গৈছিল।

ক) মালিক সকলে তেওঁলোকৰ স্বাৰ্থৰ বাবে ৰাষ্ট্ৰৰ সশস্ত্ৰ শক্তিকো ব্যৱহাৰ কৰিব পৰাৰ কাৰণ তোমালোকে কি বুলি ভাবা?

খ) শ্ৰমিক সকলে শ্ৰম বা কাম কৰাৰ ক্ষেত্ৰত এক বিষম বা অনাকাংখিত পৰিস্থিতিৰ কিয় সৃষ্টি হৈছিল।

২। ভূমিহীন কৃষি শ্ৰমিক আৰু প্ৰব্ৰজনকাৰী শ্ৰমিক সকলৰ অধিকাৰ সুৰক্ষাৰ বাবে ভাৰত চৰকাৰে কি কি ব্যৱস্থা গ্ৰহণ কৰিছে বুলি তুমি ভাবা?

৩। কৃষি শ্ৰমিক সকলৰ পৰিস্থিতি বা অৱস্থা আৰু তেওঁলোকৰ উৰ্দ্ধমুখী আৰ্থ-সামাজিক গতিশীলতাৰ অভাৱৰ মাজত প্ৰত্যক্ষ সম্পৰ্ক আছে। এই বিষয়ে লিখা।

৪। কি কি প্ৰধান কাৰকে কিছুসংখ্যক সমূহক নতুন সম্পদশালী, উদ্যোগী বা প্ৰতিপত্তিশীল শ্ৰেণীলৈ পৰিৱৰ্তিত হোৱাত সহায় কৰে? এনে সমূহৰ বিষয়ে উদাহৰণ দাঙি ধৰা।

৫। হিন্দী আৰু আঞ্চলিক ভাষাৰ বোলছবিবোৰৰ বেছি ভাগেই গ্ৰাম্য জীৱনক লৈ প্ৰস্তুত কৰা। তোমালোকে এনে এখন বোলছবিৰ কথা ভাবা, যিখন ভাৰতৰ গ্ৰাম্য জীৱন বা গ্ৰাম্য সমাজক লৈ প্ৰস্তুত কৰা হৈছে আৰু গ্ৰাম্য কৃষি সমাজৰ সংস্কৃতিক সেই বোলছবিত উপস্থাপন কৰা হৈছে। তোমালোকে মূল্যাংকন কৰাৰ প্ৰয়াস কৰা যে— কেনেকৈ এই সমাজৰ বাস্তৱতা তাত দেখুওৱা হৈছেনে? এনে ধৰণৰ গ্ৰাম্য সমাজৰ ওপৰত সদ্যহতে মুক্তি প্ৰাপ্ত কিবা বোলছবি তুমি চাইছানে? যদি নাই চোৱা, কিয় চাব পৰা নাই ব্যাখ্যা কৰা।

৬। তোমালোকে বাস কৰা ঠাইৰ ওচৰে-পাজৰে এনে কোনো ঠাইৰ ইটাৰ ভাটা বা এনে কোনো কাম দেখিছানে, য'ত কিছুমান প্ৰব্ৰজনকাৰী বনুৱাই কাম কৰে? এতিয়া, এই শ্ৰমিক সকল ক'ৰ পৰা আহিছে আৰু তেওঁলোকৰ নিজা গাঁৱৰ পৰা কেনেকৈ এই কামবোৰত তেওঁলোকক নিযোগ কৰা হ'ল সেই বিষয়ে গম লোৱা। লগতে নিজা ঠাইত তেওঁলোকৰ জীৱন শৈলী কেনেকুৱা আৰু এই কৰ্মথলীলৈ কিয় প্ৰব্ৰজন কৰিব লগীয়া হ'ল জানিবলৈ চেষ্টা কৰা।

৭। তোমালোকৰ স্থানীয় ফল-মূল বিক্ৰেতা এজনক এবাৰ লগ কৰা আৰু সোধা যে— তেওঁলোকে কি কি ফল-মূলৰ ব্যৱসায় কৰে তথা এই ফল-মূলবোৰ কোন ঠাইৰ পৰা অনা হৈছে আৰু এইবোৰৰ মূল্য কেনে ধৰণৰ?

এতিয়া তোমালোকে জানিবলৈ যত্ন কৰা যে ভাৰতৰ বাহিৰৰ পৰা ফল-মূল (যেনে- অষ্ট্ৰেলিয়াৰ পৰা অহা আপেল) আমদানি কৰাৰ পৰিণামত দেশত স্থানীয়ভাৱে

উৎপাদিত ফল-মূলবোৰৰ বিক্ৰী মূল্যৰ ক্ষেত্ৰত কিবা পৰিৱৰ্তন হৈছে নেকি? লগতে জানিবলৈ চেষ্টা কৰা যে—এনে কোনো আমদানি কৰা ফল-মূল আছেনে, যিবোৰৰ মূল্য ভাৰতত উৎপন্ন হোৱা ফল-মূলতকৈ কম।

৮। তোমালোকে ভাৰতবৰ্ষৰ গ্ৰাম্য অঞ্চলবোৰৰ পৰিৱেশৰ ওপৰত তথ্য সংগ্ৰহ কৰি এখন প্ৰতিবেদন প্ৰস্তুত কৰা। লগতে এই প্ৰতিবেদন প্ৰস্তুত কৰোতে তলৰ দিশ বা বিষয় কেইটা সাঙুৰি ল'বা।

ক) গ্ৰাম্য অঞ্চলৰ ৰাইজে কৃষি পথাৰত ব্যৱহাৰ কৰা কীটনাশক দ্ৰব্য, ৰাসায়নিক সাৰৰ ব্যৱহাৰ।

খ) জল পৃষ্ঠৰ হ্ৰাস,

গ) সাগৰৰ কাষৰীয়া ঠাইত ব্যৱসায়িক ভিত্তিত মিছা মাছ পোহাৰ ফলত পৰিবেশৰ ওপৰত পৰা প্ৰভাৱ।

ঘ) কৃত্ৰিমভাৱে জলসিঞ্চন ব্যৱস্থা কৰা ঠাইবোৰত বৃহৎ পৰিমাণৰ পানী জমা হৈ পৰা আৰু সেই ঠাইবোৰত মাটি লৱনযুক্ত বা লোণযুক্ত হৈ পৰা।

ঙ) জৈৱ বৈচিত্ৰ্যৰ বিপৰ্যয় ইত্যাদি।

এই প্ৰতিবেদন প্ৰস্তুত কৰোতে তলৰ উৎস সমূহৰ পৰা প্ৰতিবেদন সমূহৰ সহায় ল'ব পাৰিবা।

(ক) State of India's Environmental Reports.

(খ) Reports from Centre for Science and Development,

(গ) 'Down to Earth' নামৰ এখন আলোচনী ইত্যাদি।

## *References*

Agarwal, Bina. 1994. *A Field of One's Own; Gender and Land Rights in South Asia*. Cambridge University Press. New Delhi.

Breman, Jan. 1974. *Patronage and Exploitation; Changing Agrarian Relations in South Gujarat*. University of California Press. Berkeley.

Breman, Jan. 1985. *Of Peasants, Migrants and Paupers; Rural labour Circulation and Capitalist Production in West India*. Oxford University Press. Delhi.

Breman, Jan and Sudipto Mundle (Eds.). 1991. *Rural Transformation in Asia.* Oxford University Press. Delhi.

Das, Raju J. 1999. 'Geographical unevenness of India's Green Revolution', J*ournal of Contemporary Asia.* 29 (2).

Gupta, Akhil. 1998. *Postcolonial Developments: Agriculture in the Making of Modern*

*India*. Oxford University Press. Delhi.

Kumar, Dharma. 1998. *Colonialism, Property and the State*. Oxford University Press. Delhi.

Rutten, Mario. 1995. *Farms and Factories; Social Profile of Large Farmers and Rural Industrialists in West India*. Oxford University Press. Delhi.

Srinivas, M.N. 1987. *The Dominant Caste and Other Essays.* Oxford University Press. Delhi.

Suri, K.C. 2006. 'Political economy of agrarian distress'. *Economic and Political Weekly.* 41:1523-29.

Thorner, Alice. 1982. 'Semi-feudalism or capitalism? Contemporary debate on classes and modes of production in India'. *Economic and Political Weekly.* 17:1961-68, 1993-99, 2061-66.

Thorner, Daniel. 1991. Agrarian structure. In Dipankar Gupta (Ed.), *Social Stratification*. Oxford University Press. Delhi.

Vasavi, A.R. 1994. Hybrid Times, Hybrid People: Culture and Agriculture in South India, Man, *Journal of the Royal Anthropological Society*. (29) 2.

Vasavi, A.R. 1999a. 'Agrarian distress in Bidar: State, Market and Suicides'. *Economic and Political Weekly.* 34:2263-68.

Vasavi, A.R. 1999b. *Harbingers of Rain: Land and Life in south India*. Oxford University Press. Delhi.